# আহমদী

# আৰু

# অআহমদীৰ মাজত

# পাৰ্থক্য কি

ভাষণ

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী

মছীহ ও মাহদী মাওউদ (আঃ)

# আহ্মদী আৰু অআহ্মদীৰ মাজত পাৰ্থক্য কি ?

ভাষণ

হজৰত মিৰ্জা গোলাম আহ্মদ কাদিয়ানী

প্ৰতিশ্ৰুত মছীহ ও মাহ্দী (আঃ)

(জলছা ছালানা ২৭ ডিচেম্বৰ চন ১৯০৫)

# আহমদী আৰু অআহমদীৰ মাজত পাৰ্থক্য কি ?


নাম কিতাপ : আহমদী আৰু অআহমদীৰ মাজত পাৰ্থক্য কি
অনুবাদক : মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)
মূল কিতাপ : আহমদী আয়ুৰ গায়েৰ আহমদী মে কিয়া ফাৰ্ক হ্যায়
লিখক : হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী
প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
পথম প্ৰকাশ : ২০২২, ৫০০ কপি
মুদ্ৰণে : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান

**Name Book : Ahmadi aru Oahmadir Majat Parthakka ki**
**Translated by : Mozibar Rahman ( Muballighe Silsila)**
**(Incharge Assamese Desk)**
**Original Book : Ahmadi aur Gaier Ahamadi me kia Fark hai**
**Author : Hazrat Mirza Gulam Ahmad Qadiani**
**Published by : Nazarat Nashr-O-Ishaat Qadian**
**First Published: 2022, 500 Copies**
**Printed at : Fazle Umar Printing Press Qadian**
**Dist : Gurdaspur,Pin 143516 (Punjab)**

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাউওদ (আঃ)ৰ পুস্তক **আহমদী আয়ুৰ গায়েৰ আহমদী মে কিয়া ফাৰক হ্যায়** পুস্তকখন উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে)। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় আব্দুল আউৱাল মোল্লা চাহাব শিক্ষক মজলীয়া বিদ্যালয়, মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা,মাননীয় আমান আলি চাহাব মুবাল্লিগ ছিলছিলা। ইয়াৰ ওপৰিও যিসকলে পুস্তকখন প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়াইছে আল্লাহ তা'লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**



# হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ) উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰমণাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে আৰু হাজাৰ হাজাৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলাব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু

আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে। কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ শৃঙ্খলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জমাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক)হয় যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্মৰ গ্ৰন্থত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ্ ও মাহদী হয় যাৰ অহাৰ ভৱিষ্যতবাণী আঁ-হজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জামাত বৰ্তমান ২১২ খনৰো অধিক ৰাষ্ট্ৰত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছ্ৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা হয়।

## মছীহ মাওউদৰ আগমন আৰু ছিলছিলা স্থাপনাৰ উদ্দেশ্য

মহামান্য হজৰত মছীহ মাওউদ (আঃ)ৰ এটা ভাষণ যি তেখেতে ২৭ ডিচেম্বৰ ১৯০৫ ইং চনত জহৰ আৰু আছৰৰ নমাজৰ পিছত মছজিদ আকছাত প্ৰদান কৰিছিল। ২৬ ডিচেম্বৰ ১৯০৫ চনত ৰাতিপুৱা অতিথি খানাৰ নতুন অংশত ডাঙৰ হলত বন্ধুসকলৰ এক বিশাল জলছা এই উদ্দেশ্যেত অনুষ্ঠিত কৰা হৈছিল যে মাদ্ৰাছা তালিমুল ইছলামৰ শুধৰণীৰ প্ৰশ্নৰ ওপৰত যেন চিন্তা-ভাৱনা কৰে। ইয়াত বিভিন্ন জনে বিভিন্ন বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰে।এই ভাষণৰ মাজত এজন ভাতৃয়ে নিজৰ ভাষণত কয় যথা সম্ভৱ মই জানো হজৰত মছীহ মাওউদ (আঃ)ৰ ছিলছিলা আৰু আন মুছলমানসকলৰ মাজত কেৱল ইমানখিনি পাৰ্থক্য যে সিহঁতে মছীহ ইবনে মৰিয়ম জীৱিত আকাশলৈ যোৱা বুলি স্বীকাৰ কৰে,আৰু আমি বিশ্বাস কৰো যে তেখেত মৃত্যু বৰণ কৰিছে ইয়াতকৈ অধিক আন কোনো নতুন কথা এনেকুৱা নাই যি আমাৰ আৰু সিহঁতৰ মাজত বিবাদ সৃষ্টি কৰে ইয়াৰ দ্বাৰা পূৰ্ণ ৰূপত ছিলছিলা অৱতৰিত হোৱাৰ উদ্দেশ্যক জানিব পৰা নগৈছিল অৰ্থাৎ এটা বিষয় শংকা আৰু দুৰ্বল বুলি জানিব পৰা গৈছিল,এই কাৰণে জৰুৰী আছিল যে তেখেতে ইয়াৰ শুধৰণী কৰক,কাৰণ এতিয়া দীৰ্ঘ সময় নাছিল এই কাৰণে ২৭ ডিচেম্বৰ জহৰ আৰু আছৰৰ পিছত তেখেতে প্ৰয়োজনবোধ কৰিলে যে নিজৰ প্ৰেৰণ হোৱাৰ মূল উদ্দেশ্যৰ ওপৰত কিছু ভাষণ প্ৰদান কৰাৰ,তেখেতৰ শাৰীৰিক অৱস্থা ঠিক নাছিল তথাপি মাথোঁ খোদাৰ তা'লাৰ ফজল আৰু কৃপাত তেখেতে নিম্ন লিখিত ভাষণ প্ৰদান কৰে। (এডিটৰ)

কৈছে,মই বৰ দুঃখিত এই সময়ত মোৰ শৰীৰ অসুস্থ আৰু মই বেছি কিছু ক'ব নোৱাৰো কিন্তু এক জৰুৰী বিষয়ৰ ওপৰত কিছু কলিমা বয়ান কৰা প্ৰয়োজনবোধ ভাৱো। কালি মই শুনা পাইছিলো যে কোনো ব্যক্তিয়ে এয়া বৰ্ণনা কৰিছিল যে আমাৰ আৰু আমাৰ বিৰোধী মুছলমানসকলৰ মাজত পাৰ্থক্য কেৱল মছীহ (আঃ)ৰ মৃত্যুৰ,বাকী সকলোবিলাক একেই আৰু কৰ্ম অনুযায়ী আমাৰ বিৰোধীসকলৰ খোজ সত্যত আছে,অৰ্থাৎ নমাজ, ৰোজা আৰু আন আন মুছলমানসকলৰ কৰ্ম হয় আৰু সিহঁতে এইবোৰৰ ওপৰত

কাৰ্যকৰী হয়,কেৱল হজৰত ঈছা (আঃ)ৰ মৃত্যুৰ বিষয়ে এটা ভুল কৰিছিল যাৰ সংশোধনৰ বাবে খোদা তা'লা এই ছিলছিলাক প্ৰতিষ্ঠিত কৰিছে; গতিকে স্মৰণ ৰখা উচিত যে এই কথা সঠিক নহয়। এয়া সঁচা যে মুছলমানসকলৰ মাজত এই ভুল বহু বেয়াকৈ সৃষ্টি হৈছে, কিন্তু যদি কোনোবাই এয়া ধাৰণা পোষণ কৰে যে মোৰ পৃথিৱীত অহাত কেৱল ইমানখিনি ভুলৰ শুধৰণীয়ে হয় আন কোনো বেয়া মুছলমানসকলৰ মাজত এনেকুৱা নাছিল যাৰ সংশোধন কৰিব লগীয়া আছিল আৰু সিহঁতে সঠিক পথত আছে তেন্তে এই ধাৰণা ভুল। মোৰ ওচৰত মছীহৰ মৃত্যু বা মছীহৰ জীৱিত থকা এনেকুৱা কথা নহয় যে ইয়াৰ কাৰণেই আল্লাহ তা'লা ইমান ডাঙৰ ছিলছিলা প্ৰতিষ্ঠিত কৰিল হয় আৰু এজন বিশেষ ব্যক্তি দুনিয়াত প্ৰেৰণ কৰিল হয়। আল্লাহ তা'লা এনেকুৱা পদ্ধতিত তেখেতক প্ৰকাশ কৰিল হয় যাৰ দ্বাৰা তেওঁৰ বহু পৰিমাণে মৰ্যাদা বৃদ্ধি পালে হয়। অৰ্থাৎ এয়া যে পৃথিৱীত অন্ধকাৰ বিয়পি পৰিছে আৰু ভূমি লাঞ্ছিত হৈ পৰিছে। হজৰত ঈছা (আঃ)ৰ মৃত্যুৰ* ভুল আজি সৃষ্টি হোৱা নাই,অৰ্থাৎ এই ভুল আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ কিছু কাল পিছতেই সৃষ্টি হৈছিল আৰু বিশেষ আউলিয়াউল্লাহ পুণ্যবান আৰু ওলীউল্লাহও আহি থাকিছে আৰু মানুহ এই ভুলত আৱদ্ধ হৈ আহিছে। যদি এই ভুলৰ সংশোধনেই উদ্দেশ্য আছিল তেন্তে আল্লাহ তা'লা এতিয়া ইয়াৰ শুধৰণী কৰি দিলে হয় কিন্তু হোৱা নাই।আৰু এই ভুল চলি আহিছে আৰু আমাৰ যুগ আহি পালে। এতিয়াও যদি ইমানখিনি কথাই আছিল তেন্তে আল্লাহ তা'লা ইয়াৰ বাবে এটা ছিলছিলা সৃষ্টি নকৰিল হয়,কাৰণ মছীহৰ মৃত্যু এনেকুৱা বিষয়তো নাছিল যাক প্ৰথমে কোনোবাই স্বীকাৰ কৰা নাছিল,আগৰে পৰাই যি বিশেষত্ব যিসকলৰ ওপৰত আল্লাহ তা'লাই মুকলি কৰি দিছে সেয়া মান্য কৰি আহিছে কিন্তু কথা বেলেগ হয় যাৰ কাৰণে আল্লাহ তা'লাই এই ছিলছিলা প্ৰতিষ্ঠিত কৰিছে। এয়া সঁচা যে মছীহ (আঃ)ৰ মৃত্যুৰ ভুলক আঁতৰ কৰাও এই ছিলছিলাৰ বহুত ডাঙৰ উদ্দেশ্য আছিল,কিন্তু ইমানখিনি কথাৰ বাবে খোদা তা'লাই মোক থিয় কৰোৱা নাই অৰ্থাৎ বহু পৰিমাণে এনেকুৱা কথাবোৰ সৃষ্টি হৈ গৈছিল যে যদি সেইবোৰৰ সংশোধন কৰাৰ বাবে আল্লাহ তা'লাই এটা ছিলছিলাক প্ৰতিষ্ঠিত

*ইয়াৰ অৰ্থ মছীহৰ মৃত্যু আৰু জীৱিত থকাৰ মছলা হয়।

কৰি কোনোবাক প্ৰত্যাদিষ্ট নকৰিল হয় তেন্তে দুনিয়া ধ্বংস হৈ গ'ল হয় আৰু ইছলামৰ নাম আৰু চিহ্নৰ সমাপ্ত ঘটিল হয়। এই কাৰণে এই উদ্দেশ্যক আন কথাত আমি এয়া ক'ব পাৰো যে আমাৰ প্ৰেৰণ হোৱাৰ উদ্দেশ্য কি ?

মছীহৰ মৃত্যু আৰু ইছলামৰ জীৱন্ত এই দুয়ো উদ্দেশ্য পৰস্পৰে বহুত ডাঙৰ সম্পৰ্ক ৰাখে আৰু মছীহৰ মৃত্যুৰ মছলা এই যুগত ইছলামক জীৱিত হোৱাৰ বাবে অতি প্ৰয়োজন হৈ পৰিছে। এই কাৰণে যে মছীহৰ জীৱিতৰ পৰা যি ফিৎনা সৃষ্টি হৈছে সেয়া অধিক পৰিমাণে বৃদ্ধি পাইছে। মছীহৰ জীৱিত সম্পৰ্কে এয়া কোৱা যে আল্লাহ তা'লা এই কথাৰ ক্ষমতা নাৰাখে নে যে তেখেতক জীৱিত অৱস্থাত আকাশলৈ উঠাই লৈ যোৱা ? আল্লাহ তা'লাৰ কুদৰত আৰু তাৰ* পৰা অপৰিচিত প্ৰকাশ কৰে। আমি সকলোতকৈ বেছি এই কথাৰ ওপৰত ঈমান ৰাখো আৰু বিশ্বাস স্থাপন কৰো যে,

(2:107) اَنَّ اللّٰهَ عَلٰى كُلِّ شَىْءٍ قَدِيْرٌ ١٠٧

অৰ্থাৎ আল্লাহ তা'লাৰ সকলো বস্তুৰ ওপৰত ক্ষমতা আছে। (চুৰা বাকাৰা আয়াত ১০৭) আৰু আমি ঈমান ৰাখো যে সেইজনাই যি ইচ্ছা কৰে সেয়া কৰিব পাৰে কিন্তু সেইজনা সেইবোৰ কামৰ পৰা পৱিত্ৰ যি সেইজনাৰ পৰিপূৰ্ণ গুণাৱলীৰ পৰিপন্থী,আৰু সেই কথাবোৰৰ শত্ৰু হয় যি তেওঁৰ দ্বীনৰ বিৰোধ। প্ৰথমে হজৰত ঈছাৰ জীৱিত কেৱল এক ভুলৰ ৰূপ ধাৰণ কৰিছিল, কিন্তু আজি এই ভুল এক ডাঙৰ সাপ হৈ গৈছে যিয়ে ইছলামক গিলি পেলাব খুজিছে। প্ৰথম যুগত এই ভুলৰ পৰা কোনো ক্ষতি হোৱাৰ ভয় নাছিল আৰু সেয়া ভুল আকাৰেই আছিল,কিন্তু যেতিয়া খ্ৰীষ্টানসকল প্ৰকাশিত হ'ল আৰু সিহঁতে মছীহৰ জীৱনক তেখেতৰ খোদা হোৱাৰ এক বহু ডাঙৰ দলিল বুলি কৰি দিলে তেতিয়া এয়া ভয়ানক কাৰ্যত পৰিণত হৈ গ'ল। সিহঁতে বাৰম্বাৰ ইয়াক উত্থাপন কৰিছে যে যদি মছীহ খোদা নহয় তেতিয়াহলে তেওঁ আৰশ্বত কেনেকৈ বহি আছে ? আৰু যদি মানুহ হৈ কোনোবাই এনেকুৱা কৰিব পাৰে যে জীৱিত হৈ আকাশলৈ যাওঁক তেন্তে কি কাৰণত আদমৰ পৰা লৈ এতিয়ালৈকে কোনোবাই আকাশলৈ যোৱা নাই ? এই ধৰণৰ দলিলসমূহ উত্থাপন কৰি

* এই ঠাইত লিখোতে কিবা শব্দ এৰি গৈছে (প্ৰকাশক)

সিহঁতে হজৰত ঈছা (আঃ)ক খোদা বনাব বিচাৰে আৰু সিহঁতে বনাইছেও আৰু দুনিয়াৰ এটা অংশক পথভ্ৰষ্ট কৰি দিছে আৰু বহু মুছলমান যাৰ সংখ্যা ত্ৰিশ লাখতকৈয়ো অধিক বুলি কোৱা হয়,এই ভুলক সঠিক আকিদা স্বীকাৰ কৰাৰ কাৰণে এই ফিৎনাৰ চিকাৰত আৱদ্ধ হৈ পৰিছে। এতিয়া যদি এই কথাবোৰ সঠিক হ'ল হয় আৰু প্ৰকৃততে হজৰত ঈছা (আঃ) জীৱিত আকাশলৈ গ'ল হয় যেনেকুৱা খ্ৰীষ্টানসকলে কয় আৰু মুছলমান নিজৰ ভুল আৰু জ্ঞান নথকাৰ কাৰণে সেইবিলাকৰ সমৰ্থন কৰে তেতিয়া ইছলামৰ বাবে এক মাতম (শোকৰ) দিন হৈ গ'ল হয়, কাৰণ ইছলাম দুনিয়াত এই কাৰণে আহিছে যাতে আল্লাহ তা'লাৰ অস্তিত্বৰ ওপৰত পৃথিৱীক ঈমান আৰু বিশ্বাস স্থাপন কৰাব পাৰে আৰু তাৰ তৌহিদ বিস্তাৰ লাভ কৰিব পাৰে। সেয়া এনেকুৱা ধৰ্ম হয় যে কোনো দুৰ্বলতা তাত পোৱা নাযায়।* ইছলামে আল্লাহ তা'লাক একত্ববাদ, অংশী বিহীন বুলি কয়। আন কাৰোবাৰ মাজত এই বিশেষত্ব স্বীকাৰ কৰি লোৱা হওঁক এয়াতো আল্লাহ তা'লাৰ মৰ্যাদাৰ হানি হয় আৰু ইছলাম ইয়াক অব্যাহত নাৰাখে,কিন্তু খ্ৰীষ্টানসকলে মছীহৰ এই বিশেষত্বক উত্থাপন কৰি দুনিয়াক পথভ্ৰষ্ট কৰি দিছে আৰু মুছলমানসকলে বিনা চিন্তা-চেতনাৰে সিহঁতৰ এই কথনৰ সমৰ্থন কৰে আৰু এই ক্ষতিৰ ভ্ৰূক্ষেপেই কৰা নাই যি ইয়াৰ দ্বাৰা ইছলামৰ হৈছে।

এই কথাৰ পৰা কেতিয়াও প্ৰবঞ্চনাত পৰিব নালাগে যিসকলে কৈ দিয়ে যে আল্লাহ তা'লা এই কথাৰ ক্ষমতা নাৰাখে যে মছীহক জীৱিত আকাশত উঠাই লোৱা হওঁক ? যদিওবা সেইজনাৰ ক্ষমতা আছে কিন্তু এনেকুৱা কথাবোৰক কেতিয়াও অব্যাহত নাৰাখে যি আৰম্ভণীৰে পৰা খোদাৰ অংশী হয় আৰু এয়া স্পষ্ট যে এজন ব্যক্তিক কিছুমান কাৰণৰ বিশেষত্ব দিয়া মুকলি ভাৱে আদিৰে পৰা অংশী পতা হয়। অৰ্থাৎ মছীহ (আঃ)ৰ এই বিশেষত্বক স্বীকাৰ কৰা যে সেয়া গোটেই মানুহৰ পৰিপন্থী এতিয়ালৈকে জীৱিত আছে আৰু মানৱতাৰ বিশেষত্বৰ পৰা পৃথক। এয়া এনেকুৱা বিশেষত্ব যে খ্ৰীষ্টান যিয়ে খ্ৰীষ্টানসকলক সুযোগ প্ৰদান কৰিছে যে সিহঁতে তেওঁৰ খোদা হোৱাৰ ওপৰত দলিল উত্থাপন কৰে। যদি কোনো খ্ৰীষ্টান মুছলমানসকলৰ ওপৰত এই অভিযোগ উত্থাপন

কৰে যে তুমি কোৱা যে এনেকুৱা বিশেষত্ব সেই সময়ত আন ব্যক্তিয়ে পাইছিল নে ? তেতিয়া তাৰ কোনো উত্তৰ সিহঁতৰ মাজত পোৱা নাযায়,এই কাৰণে যে সিহঁতে বিশ্বাস কৰে যে সকলোবিলাক নবী মৃত্যু বৰণ কৰিছে,কিন্তু মছীহৰ মৃত্যু সেই বিৰোধী মুছলমানসকলৰ পৰা প্ৰতীয়মান নহয়,কাৰণ **توفّى** ৰ অৰ্থ আকাশত সশৰীৰে উঠাই লোৱা বুলি কৰে তেন্তে فَلَمَّا تَوَفَّيْتَنِى (5:118) ৰো এই অৰ্থ কৰিব লাগিব যে যেতিয়া তুমি মোক জীৱিত আকাশলৈ উঠাইছা। আৰু যদি কোনো আয়াতে প্ৰমাণ নকৰে যে তেওঁৰ মৃত্যুও হ’ব,তেন্তে কোৱা, তাৰ ফলাফল কি হ’ব ? আল্লাহ তা’লা সেই লোকসকলক হিদায়ৎ দিয়ক আৰু সিহঁতে যেন নিজৰ ভুলক বুজি পায়। মই সঁচা কওঁ যে যিসকলে নিজকে মুছলমান বুলি কয় আৰু এই আকিদাৰ দুৰ্বলতা আৰু বেয়া মুকলি হৈ যোৱাৰ পিছতো তাকে নেৰে সিহঁত ইছলামৰ শত্ৰু আৰু তেওঁৰ বাবে বন্ধু বাহ্যিক ৰূপত শত্ৰু হয়।

স্মৰণ ৰখা আল্লাহ তা’লা বাৰম্বাৰ কোৰাণ মজিদত হজৰত মছীহ (আঃ)ৰ মৃত্যুৰ কথা উল্লেখ কৰে আৰু প্ৰমাণ কৰে যে তেখেত আন নবীসকলৰ নিচিনা আৰু মানুহৰ নিচিনা মৃত্যু বৰণ কৰিছে। কোনো বিষয় ইয়াত এনেকুৱা নাছিল যি আন নবীসকল আৰু মানুহৰ মাজত পোৱা নগৈছিল। এয়া সঁচা যে **توفّى** ৰ অৰ্থ মৃত্যু। কোনো অভিধানৰ পৰা এই কথা প্ৰমাণিত নহয় যে **توفّى** ৰ অৰ্থ সশৰীৰত আকাশলৈ উঠাই লোৱা। ভাষাৰ গুণ অভিধানৰ বিস্তাৰিতত আছে। পৃথিৱীত কোনো অভিধান এনেকুৱা নাই যি মাথোঁ এজনৰ বাবে হ’ব আৰু আনসকলৰ বাবে নহ’ব; হয় খোদা তা’লাৰ বাবে এই বিশেষত্ব নিশ্চয় হয় তাৰ কাৰণ সেইজনা একক অংশীবিহীন হয়। অভিধানৰ কোনো কিতাপ উত্থাপন কৰক য’ত **توفّى** ৰ এই অৰ্থ বিশেষভাৱে হজৰত ঈছাৰ বাবে কৰা হৈছে যে সশৰীৰত আকাশত উঠাই লোৱা হৈছে,আৰু গোটেই পৃথিৱীৰ বাবে যেতিয়া এই শব্দ ব্যৱহাৰ হয় তেতিয়া তাৰ অৰ্থ মৃত্যু হ’ব। এই ধৰণৰ বিশেষত্ব অভিধানৰ কোনো কিতাপত দেখুৱাওক ? আৰু যদি দেখুওৱাব নোৱাৰা আৰু নাই, তেতিয়াহলে খোদা তা’লাক ভয় কৰা যে এয়া শিৰকৰ স্ৰোত হয়। এই ভুলৰ কাৰণে এই ফলাফল হয় যে মুছলমান

খ্ৰীষ্টানসকলৰ দাবীৰ শ্ৰেণীত গৈ পৰে। যদি খ্ৰীষ্টানসকলে এয়া কয় যে যি অৱস্থাত তুমি মছীহক জীৱিত স্বীকাৰ কৰা যে তেওঁ আকাশত আছে আৰু তেওঁৰ আগমন হ'ব বুলি স্বীকাৰ কৰা আৰু এয়াই স্বীকাৰ কৰা যে তেওঁ বিচাৰক হিচাপে আহিব। এতিয়া কোৱা তেওঁ খোদা হোৱাত কি শংকা আছে যেতিয়া এয়াও প্ৰমাণিত নহয় যে তেওঁৰ মৃত্যু হ'ব। এয়া কোৱা ডাঙৰ বিপদমূলক কাৰ্য হয় যে খ্ৰীষ্টানসকলে প্ৰশ্ন কৰে আৰু তাৰ উত্তৰ নাথাকে ?

অৰ্থাৎ এই ভুলৰ বেয়া প্ৰভাৱ এতিয়া ইমানখিনি বাঢ়ি গৈছে,এয়া সঁচা যে আচলতে মছীহৰ মৃত্যুৰ মছলা এনেকুৱা মহান মৰ্যাদাপ্ৰাপ্ত আছিল যে তাৰ বাবে এক মহান প্ৰত্যাদিষ্টৰ প্ৰয়োজন আছিল! কিন্তু মই দেখিবলৈ পাওঁ যে মুছলমান সকলৰ অৱস্থা বৰ দুৰ্বল হৈ পৰিছে। সিহঁতে কোৰাণৰ প্ৰতি চিন্তা-চেতনা এৰি দিছে আৰু সিহঁতৰ কাৰ্যকলাপ বেয়া হৈ পৰিছে,যদি সিহঁতৰ কাৰ্যকলাপ ভাল হ'ল হয় আৰু সিহঁতে কোৰাণ কৰীম আৰু অভিধানৰ প্ৰতি ধ্যান দিলে হয় তেন্তে এনেকুৱা অৰ্থ নহ'ল হয়। সিহঁতে এই কাৰণে নিজৰ ফালৰ পৰা এই অৰ্থ কৰিছে **تـوفّى** শব্দ কোনো পৃথক আৰু নতুন শব্দ নাছিল; ইয়াৰ অৰ্থ সকলোবোৰ আৰবী অভিধানত যিয়েই নিলিখক কিয় তাৰ অৰ্থ মৃত্যু হয়। গতিকে সিহঁতে সশৰীৰত আকাশলৈ উঠোৱাৰ অৰ্থ নিজৰ ফালৰ পৰা কিয় কৰিলে ? আমি পৰিতাপ নকৰিলোঁ হয় যদি হজৰত মহম্মদ (ছাঃ)ৰ ক্ষেত্ৰত এই শব্দৰ এয়াই অৰ্থ কৰিলে হয়,কাৰণ এই শব্দও তেখেতৰ বাবে কোৰাণ শ্বৰীফত আহিছে যেনেকুৱা কৈছে,

وَاِمَّا نُرِيَنَّكَ بَعْضَ الَّذِىْ نَعِدُهُمْ اَوْ نَتَوَفَّيَنَّكَ (10:47)

(অনুবাদ ঃ আৰু সিহঁতৰ সম্বন্ধে আমি যি অঙ্গীকাৰ কৰিছোঁ তাৰে এভাগ (তোমাৰ জীৱনতেই) নিশ্চয় পূৰ্ণ কৰি দেখুৱাম,অথবা (তাকে পূৰ্ণ কৰিম) তোমাৰ মৃত্যু ঘটোৱাৰ পাছত। (চুৰা ইউনুচ আয়াত ৪৭)

এতিয়া কোৱা যদি এই (**تـوفّى**)শব্দৰ অৰ্থ সশৰীৰত আকাশত উঠাই লোৱা হয় তেতিয়া আমাৰ অধিকাৰ নাই যে তেখেতৰ বাবেও এই অৰ্থই কৰা। কাৰণ কি, সেই নবী যিজন আঁ-হজৰত (ছাঃ)তকৈ হাজাৰ গুণে মৰ্যাদাত কম তেওঁৰ কাৰণে যেতিয়া এই শব্দ কোৱা হয় তেতিয়া তাৰ

মনগড়া অৰ্থ সাজি জীৱিত আকাশত উঠাই লোৱা বুলি কৰা হয় আৰু যেতিয়া ছৈয়দুল আওৱালিন আৰু আখিৰিণৰ বাবে এই শব্দ ব্যৱহাৰ হয় তেতিয়া তাৰ অৰ্থ মৃত্যুৰ বাহিৰে আন একোকে কৰা নহয়,অৰ্থাৎ আঁ-হজৰত (ছাঃ)জীৱিত নবী হয় আৰু তেখেতৰ জীৱন এনেকুৱা ভাৱে প্ৰমাণিত হয় যে কোনো আৰু নবীৰ বাবে প্ৰমাণিত নহয় আৰু তাৰ বাবে প্ৰবল দাবীৰ সৈতে এই কথা উত্থাপন কৰো যে যদি কোনো নবী জীৱিত আছে সেইজন আমাৰ নবী কৰীম (ছাঃ)য়েই হয়,অধিকাংশ বুজুৰ্গসকলে হায়াতুন্নবী (নবীৰ জীৱনী)ৰ ওপৰত পুস্তক লিখিছে আৰু আমাৰ সন্মুখত আঁ-হজৰত (ছাঃ)ৰ জীৱনীৰ এনেকুৱা উন্নতমানৰ দলিল আছে যে কোনোবাই তাৰ মোকাবিলা কৰিব নোৱাৰে। তাৰ মাজৰ এটা এয়া যে জীৱিত নবী সেইজনেই হ'ব পাৰে যাৰ কল্যাণ আৰু উপকাৰীতা সৰ্বদা অব্যাহত থাকে আৰু আমি দেখিবলৈ পাওঁ যে আল্লাহ তা'লাই তেখেতৰ যুগৰ পৰা লৈ এতিয়ালৈকে কেতিয়াও মুছলমানসকলক বিনষ্ট কৰা নাই। প্ৰত্যেক শতাব্দীৰ শিৰোভাগত সেইজনাই কোনোবাজনক প্ৰেৰণ কৰিছে যিয়ে যুগৰ প্ৰয়োজনীয় অৱস্থাক শুধৰণী কৰি আহিছে,অৰ্থাৎ এই শতাব্দীত সেইজনাই মোক প্ৰেৰণ কৰিছে যাতে মই হায়াতুন্নবী (নবীৰ জীৱনী)ৰ প্ৰমাণ দিওঁ। এই কাৰ্য কোৰাণ কৰীমৰ পৰা প্ৰমাণিত যে আল্লাহ তা'লা আঁ-হজৰত (ছাঃ)ৰ দ্বীনক সুৰক্ষা কৰি আছে যেনেকুৱা কৈছে,

(15:10) اِنَّا نَحۡنُ نَزَّلۡنَا الذِّكۡرَ وَ اِنَّا لَهٗ لَحٰفِظُوۡنَ۝۱۰

(অনুবাদ ঃ নিশ্চয় উপদেশ পুথিখন আমিয়ে অৱতীৰ্ণ কৰিছোঁ আৰু আমিয়ে তাৰ সংৰক্ষক। (চুৰা হিজৰ আয়াত ১০)

অৰ্থাৎ আমিয়ে এই পুথিখন অৱতীৰ্ণ কৰিছোঁ আৰু আমিয়ে ইয়াৰ সুৰক্ষা কৰিম।

اِنَّا لَهٗ لَحٰفِظُوۡنَ শব্দ স্পষ্টৰূপে প্ৰমাণিত কৰে যে শতাব্দীৰ শিৰোভাগত এনেকুৱা মানুহ আহি থাকিব যিয়ে হেৰাই যোৱা বস্তুক লৈ আহিব আৰু লোকসকলক স্মৰণ কৰোৱাব।

এয়া নিয়মিত কথা যে যেতিয়া প্ৰথম শতাব্দী অতিক্ৰম কৰে তেতিয়া প্ৰাথমিক বংশধৰও উঠি যায় আৰু সেই বংশত যিসকল আলিম,হাফিজ আৰু

ওলীউল্লাহ আৰু আব্দাল আছে সিহঁতে মৃত্যু বৰণ কৰে,এই কাৰণে উম্মতক জীৱিত কৰাৰ বাবে কোনো ব্যক্তিৰ প্ৰয়োজন হয় কাৰণ যদি দ্বিতীয় শতাব্দীত ইছলামক সতেজ ৰখাৰ বাবে কোনো বন্দবস্ত নাথাকে তেতিয়া মজহব (ধৰ্ম) মৃত হৈ যায়। এই কাৰণে সেইজনাই প্ৰত্যেক শতাব্দীৰ শিৰোভাগত এজন ব্যক্তিক প্ৰত্যাদিষ্ট কৰে যিয়ে ইছলামক মৃত্যুৰ পৰা বচায়,আৰু তাক নতুন জীৱন প্ৰদান কৰে আৰু পৃথিৱীবাসীৰ যিবোৰ ভুল,অগ্ৰহণীয় নীতি-নিয়ম, আলস্য আৰু এলেহুৱা সিহঁতৰ মাজত সৃষ্টি হয় তাৰ পৰা বচায়।

এই বিশেষত্ব আঁ-হজৰত (ছাঃ)ক অৰ্জিত হৈছে আৰু এয়া তেখেতৰ জীৱনৰ এক এনেকুৱা দলিল হয় যে কোনোবাই তাৰ মোকাবিলা কৰিব নোৱাৰে। এইদৰে তেখেতৰ কল্যাণ আৰু ফয়েজৰ ছিলছিলা সমাপ্তহীন হয় আৰু প্ৰত্যেক যুগত উম্মতে তেখেতৰ ফয়েজৰ পৰা লাভবান হয় আৰু তেখেতৰ শিক্ষা অৰ্জিত কৰে, আৰু আল্লাহ তা'লাৰ প্ৰিয় হৈ আছে যেনেকুৱা কৈছে,

(3:32) اِنۡ كُنۡتُمۡ تُحِبُّوۡنَ اللّٰهَ فَاتَّبِعُوۡنِىۡ يُحۡبِبۡكُمُ اللّٰهُ

(অনুবাদ ঃ যদি তোমালোকে আল্লাহক ভাল পোৱা তেন্তে মোৰ অনুসৰণ কৰা,আল্লাই তোমালোকক ভাল পাব। (চুৰা আল-ইমৰান আয়াত ৩২)

অৰ্থাৎ খোদা তা'লাৰ প্ৰতি ভাল পোৱাই স্পষ্ট কৰে যে এই উম্মত কোনো শতাব্দীক খালি এৰিবলৈ নিবিচাৰে আৰু এয়াই এক কাৰ্য যি আঁ-হজৰত (ছাঃ)ৰ জীৱনীৰ ওপৰত উজ্জ্বল দলিল হয়। ইয়াৰ মোকাবিলাত হজৰত ঈছাৰ জীৱনী প্ৰমাণিত নহয়। তেওঁৰ জীৱন কালতে এনেকুৱা ফিৎনা উত্থাপন হৈছিল যে আন কোনো নবীৰ জীৱনত এনেকুৱা ফিৎনা উত্থাপন হোৱা নাছিল। আৰু ইয়াৰ কাৰণ এয়া যে আল্লাহ তা'লাক হজৰত ঈছা (আঃ)ৰ পৰা বিচাৰিব লগা হ'ল যে,

(5:117) ءَاَنۡتَ قُلۡتَ لِلنَّاسِ اتَّخِذُوۡنِىۡ وَاُمِّىَ اِلٰهَيۡنِ

(অনুবাদ ঃ তুমি মানুহক ইয়াকে কৈছিলা নে আল্লাহক এৰি মোক আৰু মোৰ মাতৃক দুয়োজনকে উপাস্য বুলি গ্ৰহণ কৰা। (চুৰা আল-মাইদা আয়াত ১১৭)

অৰ্থাৎ তুমি কৈছিলা নে যে মোক আৰু মোৰ মাতৃক খোদা বনাই

লোৱা? যি জমাত হজৰত ঈছা (আঃ)য়ে তৈয়াৰ কৰিছে সেয়া এনেকুৱা দুৰ্বল আৰু ভৰসাহীন আছিল যে খ্ৰীষ্টানসকলে নিজেই এই কথা স্বীকাৰ কৰে।

ইঞ্জিলৰ পৰা প্ৰতীয়মান হয় যে তেওঁৰ বাৰ জন শিষ্য যিসকলে তেওঁৰ বিশেষ পৱিত্ৰৰ শক্তি আৰু প্ৰভাৱশালী আদৰ্শ আছিল তাৰ মাজৰ পৰা এজনে যাৰ নাম **ইহুদা ইছকৰাইউতি** আছিল তেওঁ ত্ৰিশ টকাত নিজৰ আকা আৰু পথ-প্ৰদৰ্শকক বিক্ৰি কৰি দিয়ে আৰু দ্বিতীয় জনে যিয়ে প্ৰথম শ্ৰেণীত আছিল আৰু পৰম শিষ্য বুলি কোৱা হৈছিল তথা যাৰ হাতত স্বৰ্গৰ খাজানা আছিল অৰ্থাৎ **পিতৰছ**,তেওঁ সন্মুখত থিয় হৈ তিনিবাৰ অভিশাপ কৰে। যেতিয়া হজৰত মছীহৰ উপস্থিতিত সিহঁতৰ এই প্ৰভাৱ আৰু ফয়েজ আছিল আৰু এতিয়া ১৯০০ বছৰ অতিক্ৰম কৰাৰ পাছত নিজেই ধাৰণা কৰি লোৱা যে কি বাকী ৰৈ গৈছে। তাৰ মোকাবিলাত আঁ-হজৰত (ছাঃ)য়ে যি জমাত তৈয়াৰ কৰিছিল সেয়া এনেকুৱা সত্য আৰু সহানুভূতি জমাত আছিল যে সিহঁতে তেখেতৰ বাবে প্ৰাণ বিসৰ্জন দিছে,দেশ এৰিছে,প্ৰিয়সকল আৰু আত্মীয়-স্বজনক এৰিছে। তেখেতৰ বাবে কোনো বস্তুৰ ভ্ৰূক্ষেপেই কৰা নাই। এয়া কেনেকুৱা শক্তিশালী প্ৰভাৱ আছিল।এই প্ৰভাৱৰ বিৰোধীসকলেও স্বীকাৰ কৰিছে আৰু তেখেতৰ প্ৰভাৱৰ ছিলছিলা বন্ধ হোৱা নাই,অৰ্থাৎ এতিয়ালৈকে সেয়া চলি আছে। কোৰাণ শ্বৰীফৰ শিক্ষাত সেই প্ৰভাৱ আৰু কল্যাণ এতিয়ালৈকে নিহিত আছে; আৰু আকৌ প্ৰভাৱৰ এক আৰু আদৰ্শ উল্লেখ কৰাৰ যোগ্য যে ইঞ্জিলৰ কৰোবাত এয়া বিচাৰি পোৱা নাযায়। খ্ৰীষ্টানসকলে নিজেই এই কামত অসুবিধাত পৰি আছে যে মূল কোনটো হয় আৰু কোন ভাষাত আছিল আৰু ক'ত আছে? কিন্তু কোৰাণ কৰীম ধাৰাবাহিক ভাৱে সুৰক্ষা হৈ চলি আহিছে,এটা শব্দ আৰু নুকতা ইফাল-সিফাল হ'ব নোৱাৰে। এনেকুৱা ভাৱে সুৰক্ষিত হৈছে যে হাজাৰ,লাখো সংখ্যাত কোৰাণ শ্বৰফীৰ হাফিজ প্ৰত্যেক ৰাষ্ট্ৰত আৰু জাতি গোষ্ঠিত আছে যিসকলৰ মাজত পৰস্পৰ ঐক্যতা আছে। সদায় মুখস্থ কৰে আৰু শুনায়। এতিয়া কোৱা এয়া তেখেতৰ কল্যাণ আৰু জীৱন্ত বৰকত নহয় নে? আৰু ইয়াৰ দ্বাৰা তেখেতৰ জীৱনী প্ৰমাণিত নহয় নে?

গতিকে কোৰাণ শ্বৰীফৰ সুৰক্ষাৰ ক্ষেত্ৰত আৰু ধৰ্মক সঞ্জীৱিত কৰাৰ বাবে প্ৰত্যেক শতাব্দীত আহিব লগীয়া সংস্কাৰকৰ হাদীছ্‌ৰ পৰা আৰু তেখেতৰ বৰকত আৰু প্ৰভাৱৰ পৰা যি এতিয়ালৈকে অব্যাহত আছে, তেখেতৰ জীৱনী প্ৰমাণিত হয়। এতিয়া চিন্তা-ভাৱনাৰ বিষয় এয়া যে হজৰত ঈছাৰ জীৱনীৰ আকিদাই দুনিয়াক কি লাভালাভ প্ৰদান কৰিছে ? চৰিত্ৰ আৰু কাৰ্যকলাপৰ ক্ষেত্ৰত দুনিয়াৰ সংশোধন হৈছে নে বা ফাছাদ সৃষ্টি হৈছে ? এই বিষয়ৰ প্ৰতি যিমান চিন্তা-ভাৱনা কৰিব সিমানেই তাৰ বেয়া প্ৰকাশিত হৈ থাকিব। মই সঁচা কওঁ যে ইছলামৰ এই বিশ্বাসৰ পৰা বহুত ডাঙৰ ক্ষতিগ্ৰস্ত হৈছে যাৰ ফলত প্ৰায় চল্লিশ কোটি লোক খ্ৰীষ্টান হৈ গৈছে যিসকলে সত্য খোদাক এৰি এজন মানৱক খোদা বনাই বহিছে; আৰু খ্ৰীষ্টানসকলে দুনিয়াক যি উপকাৰ কৰিছে সেয়া বাহ্যিক কাৰ্যকলাপ হয়। খ্ৰীষ্টানসকলে নিজেই এই কাৰ্যকলাপক স্বীকাৰ কৰিছে যে খ্ৰীষ্টানসকলৰ জৰিয়তে বহু পৰিমাণে বেয়া চৰিত্ৰ পৃথিৱীত বিস্তাৰ লাভ কৰিছে,কাৰণ যেতিয়া মানুহক শিক্ষা অৰ্জিত হয় যে তাৰ পাপ আন কাৰোবাৰ জিম্মাত হয় তেতিয়া তেওঁ সেই পাপ কৰাত গৌৰান্বিত হৈ যায়। পাপ মানৱ জাতিৰ বাবে এক ভয়ঙ্কৰ বিষ হয় যি খ্ৰীষ্টান সকলে বিস্তাৰ লাভ কৰিছে। এই ক্ষেত্ৰত এই আকিদাৰ ক্ষতি আৰু বেছি বৃদ্ধি পাই যায়।

মই এয়া নকওঁ যে মছীহৰ জীৱিত সম্পৰ্কে এই যুগৰ লোকসকলৰ ওপৰত অভিযোগ হয়। নহয় কিছু ফালৰ পৰা সিহঁতে ভুল বুজিছে কিন্তু সিহঁতে এই ভুলৰ বাবেও ছোৱাব (পুৰস্কাৰ)ৰ ভাগীদাৰী হৈছে কাৰণ মুজতাহিদ (ধাৰ্মিক বিষয়ৰ ওপৰত বিবেকপূৰ্ণ নিৰ্ণয় কৰোঁতা) সম্পৰ্কে লিখিছে, **قد یخطئ و یصیب** কেতিয়াবা মুজতাহিদে ভুল কৰে আৰু কেতিয়াবা সঠিক,কিন্তু উভয় তৰফৰ পৰা তেওঁ ছোৱাবৰ ভাগীদাৰী হয়। মূল কথা এয়া যে খোদা তা'লা এয়াই ইচ্ছা কৰিছিল যে সিহঁতৰ পৰা এই বিষয় গোপন থাকক। অৰ্থাৎ সিহঁত আলস্যত থাকক আৰু আচহাবে কাহাফৰ নিচিনা এই সততা সিহঁতৰ মাজত গুপ্ত থাকিছে যেনেকুৱা মোক এইটোও ইলহাম হৈছিল,

**اَمْ حَسِبتَ انّ اصحاب الكهف و الرّقيم كانوا من ايٰاتنا عجبًا**

এইদৰে মছীহৰ জীৱিত থকাৰ বিষয়টোও আশ্চৰ্যজনক হয়। কোৰাণ

মজিদ স্পষ্ট ৰূপত মছীহৰ মৃত্যু প্ৰমাণ কৰে আৰু হাদীছসমূহৰ পৰাও এয়াই প্ৰমাণ হয়। আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত যিবোৰ আয়াত দলিল হিচাপে উত্থাপন কৰা হৈছে সেয়াও তাক প্ৰমাণ কৰে। ইমান পৰিমাণে স্পষ্ট হৈ যোৱা সত্ত্বেও খোদা তা'লা তেওঁক গোপন কৰি লৈছে আৰু আহিব লগীয়া মাওউদৰ বাবে তেওঁক গোপন কৰি ললে,অথচ তেওঁ আহিলে আৰু সেই ৰহস্যক প্ৰকাশ কৰিলে।

এয়া আল্লাহৰ হিকমত হয় যে সেইজনা যেতিয়া ইচ্ছা কৰে কোনো ৰহস্যক গোপন কৰি দিয়ে আৰু যেতিয়া ইচ্ছা কৰে তাক প্ৰকাশ কৰি দিয়ে। এইদৰে সেই ৰহস্যক নিজৰ সময়লৈকে গোপন ৰাখিছে কিন্তু এতিয়া আহিবলগীয়াজন আহি গলে আৰু তেওঁৰ হাতত এই মাথাৰ চাবি আছিল তেওঁ তাক খুলি দেখুৱাই দিলে। এতিয়া যদি কোনোবাই স্বীকাৰ নকৰে আৰু জিদ কৰে সি আল্লাহ তা'লাৰ সৈতে মোকাবিলা কৰে।

অৰ্থাৎ মছীহৰ মৃত্যুৰ মছলা এতিয়া এনেকুৱা বিষয় হৈ পৰিছে যে ইয়াত কোনো ধৰণৰ গোপনীয়তা বৈ থকা নাই। অৰ্থাৎ সকলো ফালৰ পৰা স্পষ্ট হৈ গৈছে। কোৰাণ শ্বৰীফৰ পৰা মছীহ (আঃ)ৰ মৃত্যু প্ৰমাণিত হয়,হাদীছসমূহ মৃত্যুৰ সহায়ক হয়। আঁ-হজৰত (ছাঃ)ৰ মিৰা'জ ( আধ্যাত্মিক আছমানী ভ্ৰমণ)ৰ ঘটনাই মৃত্যুৰ সত্যায়ণ কৰে আৰু তেখেত (ছাঃ)য়ে নিজ দৃষ্টিৰে সাক্ষী প্ৰদান কৰে,কাৰণ তেখেতে মিৰা'জৰ ৰাতিত হজৰত ঈছা (আঃ),হজৰত ইয়াহিয়া (আঃ)ক একেলগে দেখা পাইছে আৰু আয়াত,

قُلْ سُبْحَانَ رَبِّيْ هَلْ كُنْتُ اِلَّا بَشَرًا رَّسُوْلًا ﴿٩٤﴾ (17:94)

(অনুবাদ ঃ মোৰ প্ৰভু পৰম পৱিত্ৰ ! মই (আল্লাহৰ প্ৰেৰিত) ৰছুল হৈ অহা এজন মানুহ মাথোন। (চুৰা বনি ইস্ৰাইল আয়াত ৯৪)

এই আয়াত হজৰত মছীহ (আঃ)ক জীৱিত আকাশলৈ যোৱাৰ পৰা বাধা প্ৰদান কৰে কাৰণ কাফিৰসকলে তেখেত (ছাঃ)ক আকাশলৈ উঠি যোৱাৰ বাবে ঐশ্বৰিক নিদৰ্শন বিচাৰিছিল তেতিয়া আল্লাহ তা'লাই তেখেত (ছাঃ)ক এয়া উত্তৰ দিছিল,

قُلْ سُبْحَانَ رَبِّيْ هَلْ كُنْتُ اِلَّا بَشَرًا رَّسُوْلًا ﴿٩٤﴾ (17:94)

অৰ্থাৎ মোৰ প্ৰভু এই বিৰোধী প্ৰতিশ্ৰুতিৰ পৰা পৱিত্ৰ হয়, সেইজনা এবাৰ মানুহৰ কাৰণে এয়া নিৰ্দ্দিষ্ট কৰে যে মানুহ এই পৃথিৱীৰ পৰাই সৃষ্টি হ'ব আৰু ইয়াতেই মৃত্যু বৰণ কৰিব,

(7:26) فِيهَا تَحْيَوْنَ وَفِيهَا تَمُوتُونَ

(অনুবাদ ঃ এই (পৃথিৱীতেই) জীৱণ ধাৰণ কৰিব লাগিব আৰু এই (পৃথিৱীতেই) মৃত্যু বৰণ কৰিব লাগিব।) মই এজন আল্লাহৰ প্ৰেৰিত ৰছুল মাথোন অৰ্থাৎ সেই মানৱত্ব মোৰ সৈতে আছে যিয়ে আকাশলৈ যাব নোৱাৰে,অৰ্থাৎ কাফিৰসকলৰ প্ৰশ্নৰ উদ্দেশ্য এয়াই আছিল,কাৰণ সিহঁতে এয়া শ্ৰৱণ কৰিছিল যে মানুহৰ এই পৃথিৱীতেই জীৱন মৰণ হয় এই কাৰণে সিহঁতে সুযোগ পাই এই প্ৰশ্ন কৰিলে,যাৰ উত্তৰ সিহঁতক এনেকুৱা ভাৱে দিলে যে সিহঁতৰ কৌশল মাটিৰ সৈতে মিলি গ'ল। অৰ্থাৎ এয়া নিৰ্দ্দিষ্ট বিষয় আছিল যে মছীহ (আঃ) মৃত্যু বৰণ কৰিছে। হয় এয়া এক ঐশ্বৰিক নিদৰ্শন হয় যে সিহঁতক অৱহেলাৰ মাজত ৰাখিছে আৰু সতৰ্ককাৰীসকলক আৰু বেছি সতৰ্কতা বনাই দিলে।

এয়াও স্মৰণ ৰখা যে যিসকলে এই যুগ পোৱা নাই সিহঁতে অক্ষম হয়। সিহঁতৰ ওপৰত কোনো দলিল পূৰ্ণ হোৱা নাই,আৰু সেই সময়ত নিজৰ চেষ্টা-প্ৰচেষ্টাৰ ফলত যি বুজিব পাৰিছে তাৰ বাবে আল্লাহ তা'লাৰ পৰা প্ৰতিদান আৰু ছোৱাবৰ ভাগীদাৰী হ'ব কিন্তু এতিয়া সময় নাথাকিল। এতিয়া আল্লাহ তা'লাই এই পৰ্দাক উঠাই দিলে আৰু সেই গোপন ৰহস্যক প্ৰকাশ কৰি দিলে আৰু এই বিষয়ৰ বেয়া আৰু ভীতিমূলক প্ৰভাৱকো প্ৰকাশ কৰি দিলে। তুমি চাই আছা যে ইছলামৰ অৱস্থা সংকটজনক আৰু খ্ৰীষ্টানসকলৰ মছীহৰ জীৱিত থকাটোৱে সিহঁতৰ অস্ত্ৰ যাক লৈ সিহঁতে ইছলামৰ ওপৰত আক্ৰমণ চলাই আছে আৰু মুছলমানসকলৰ বংশধৰ খ্ৰীষ্টানসকলৰ চিকাৰত আবদ্ধ হৈ আছে। মই সঁচা সঁচা কওঁ যে এনেকুৱা মছলাসমূহক মানুহক শ্ৰৱণ কৰোৱাই সিহঁতক দিশসাৰা বনাই আছে,আৰু সেই গুণাৱলী যি অজ্ঞতাবশতঃ মুছলমান সিহঁতৰ বাবে নিৰ্দ্দিষ্ট কৰে স্কুল আৰু কলেজত উত্থাপন কৰি ইছলামৰ পৰা পৃথক কৰি আছে। এই কাৰণে খোদা তা'লা বিচাৰিছে যে মুছলমানসকলক সতৰ্ক কৰা হওঁক।

গতিকে এতিয়া (খোদা তা'লাই) বিচাৰিছে যে মুছলমানসকল সতৰ্ক হৈ যাওঁক যে ইছলামৰ বাবে এই দিক অতি জৰুৰী যে মছীহৰ মৃত্যুৰ বিষয়টোৰ প্ৰতি জোৰ দিয়া হওঁক আৰু বিষয়ৰ ওপৰত কথিত যেন নহয় যে মছীহ জীৱিত অৱস্থাত আকাশলৈ উঠি গৈছে,কিন্তু পৰিতাপৰ সৈতে ক'ব লগা হয় যে মোৰ বিৰোধী নিজৰে দুৰ্ভাগ্যবশত এই বিষয়ক বুজি নাপায় আৰু সিহঁতে চিঞৰ-বাখৰ কৰে। অতি সম্ভৱ এই আহমক বুজিলে হয় যে আমি সকলোৱে মিলি মৃত্যুৰ ওপৰত জোৰ দিও তেতিয়া এই মযহব (খ্ৰীষ্টান) ৰৈ থাকিব নোৱাৰে। মই নিশ্চিত ভাৱে কওঁ যে ইছলামৰ জীৱন এই মৃত্যুতেই আছে। নিজে খ্ৰীষ্টানসকলক সুধি চোৱা যেতিয়া এয়া প্ৰমাণিত হৈ যায় যে মছীহ জীৱিত নাই অৰ্থাৎ মৃত্যু বৰণ কৰিছে তেতিয়া সিহঁতৰ ধৰ্মৰ কি বাকী ৰৈ যায় ? সিহঁতে নিজেই এই কথা স্বীকাৰ কৰে যে এয়া এক বিষয় হয় যিয়ে সিহঁতৰ ধৰ্মক সমাপ্ত কৰে,কিন্তু মুছলমানসকলে মছীহৰ জীৱিতক স্বীকাৰ কৰি সিহঁতক শক্তিশালী কৰি আছে আৰু ইছলামৰ ক্ষতি কৰি আছে। সিহঁতৰ সেয়াই উদাহৰণ যে,

یکے برسر شاخ و بُن مے برید

খ্ৰীষ্টানসকলৰ যি অস্ত্ৰ ইছলামৰ বিৰুদ্ধে আছিল তাকে মুছলমানসকলে নিজৰ হাতত লৈ ললে* আৰু নিজৰ অজ্ঞতাবশত আৰু কম বুজনিৰ কাৰণে (অস্ত্ৰ) চলাই দিলে যাৰ দ্বাৰা ইছলামৰ বহু পৰিমাণে ক্ষতি হ'ল,কিন্তু আনন্দৰ বিষয় এয়া যে আল্লাহ তা'লাই নিৰ্দিষ্ট সময়ত সিহঁতক সতৰ্ক কৰি দিয়ে আৰু এনেকুৱা অস্ত্ৰ প্ৰদান কৰিলে যিয়ে ক্ৰুশক ভঙাৰ মাধ্যম দৃষ্টান্তমূলক হয় আৰু তাৰ সাহায্য আৰু ব্যৱহাৰ কৰাৰ বাবে খোদা তা'লাই এই ছিলছিলাক প্ৰতিষ্ঠিত কৰিলে,অৰ্থাৎ আল্লাহ তা'লাৰ কৃপাত আৰু সাহায্যত এই মছীহৰ মৃত্যুৰ অস্ত্ৰই ক্ৰুশীয় মযহবক যি পৰিমাণে দুৰ্বল আৰু আলস্য কৰি দিছে সেয়া এতিয়া গোপন হৈ থকা নাই। খ্ৰীষ্টান ধৰ্ম আৰু তাৰ সমৰ্থক সকলে বুজিব

*টোকা ঃ বদৰত আছে, আচৰিত যে খ্ৰীষ্টানসকলে মুছলমানসকলক ডিঙি কাটিবৰ বাবে এই অস্ত্ৰ ব্যৱহাৰ কৰে আৰু মুছলমানসকলেও নিজৰ ডিঙি কটোৱাৰ বাবে সিহঁতৰ সহযোগিতাত থিয় হৈ যায়। (বদৰ জিলদ ২,নম্বৰ ৪, তাৰিখ ২৬ জানুৱাৰী ১৯০৬ ইং পৃঃ ৩)

পাৰে যে যদি কোনো ফিৰকা আৰু ছিলছিলা সিহঁতৰ ধৰ্মক সমাপ্ত ঘটাব পাৰে সেয়া এই ছিলছিলাই হয়। অৰ্থাৎ ইয়াৰ কাৰণ এয়াই যে সি প্ৰত্যেক ধৰ্মৰ সৈতে মোকাবিলা কৰাৰ কাৰণে প্ৰস্তুত হৈ যায় কিন্তু এই ছিলছিলাৰ মোকাবিলাত নাহে। বিশপ চাহাবক যেতিয়া মোকাবিলাৰ বাবে আহ্বান কৰা হ'ল তেতিয়া তেওঁক কিছুমান ইংৰাজী পত্ৰিকাই উৎসা বৃদ্ধি কৰিলে তথাপি তেওঁ ময়দানলৈ নাহিল। ইয়াৰ কাৰণ এয়াই আছিল যে আমাৰ ওচৰত খ্ৰীষ্টানসকলক সমাপ্ত ঘটোৱাৰ অস্ত্ৰ আছিল যি আনক দিয়া হোৱা নাছিল তাৰ মাজত প্ৰথম অস্ত্ৰ আছিল যে মছীহৰ মৃত্যু। মৃত্যু মূল উদ্দেশ্য নহয়। এয়া এই কাৰণে যে খ্ৰীষ্টান সকলৰ অস্ত্ৰ আছিল যাৰ পৰা ইছলামৰ ক্ষতি হৈছিল। আল্লাহ তা'লা বিচাৰিছে এই ভুলৰ প্ৰতিৰোধ হওঁক অৰ্থাৎ বৰ প্ৰবলতাৰ সৈতে ইয়াৰ শুধৰণী কৰা হৈছে।

ইয়াৰ বাহিৰে সেই ভুল আৰু বিদা'ত (নতুনকৈ সুমাই দিয়া অগ্ৰহণীয় নিয়ম-নীতি) আঁতৰ কৰাও মূল উদ্দেশ্য হয় যি ইছলামৰ মাজত সৃষ্টি হৈ গৈছে। এই দুৰ্বলতা কম চিন্তা-ভাৱনাৰ ফলাফল হয়; যদি এয়া কোৱা হয় যে এই ছিলছিলা আৰু আন মুছলমানসকলৰ মাজত কোনো পাৰ্থক্য নাই। যদি বৰ্তমান মুছলমানসকলৰ আকিদাসমূহত কোনো পাৰ্থক্য নাই অহা আৰু দুয়ো একেই তেতিয়াহলে খোদা তা'লাই এই ছিলছিলাক নিৰ্থক প্ৰতিষ্ঠিত কৰিছে? এনেকুৱা ধাৰণা কৰা এই ছিলছিলাৰ ঘোৰ অৱমাননা কৰা আৰু আল্লাহ তা'লাৰ ওচৰত সাহসী দেখুওৱা আৰু অহংকাৰ কৰা হয়। আল্লাহ তা'লাই বাৰম্বাৰ স্পষ্ট কৰিছে যে দুনিয়াত অন্ধকাৰ বিস্তাৰ লাভ কৰিছে। কাৰ্যকৰী অৱস্থা আৰু আৰ্থিক অৱস্থাৰ দিশতো।

সেই তৌহিদ যাৰ বাবে অসংখ্য নবী আৰু ৰছুল দুনিয়াত প্ৰেৰণ হৈছে আৰু তেখেতসকলে প্ৰচুৰ কষ্ট আৰু প্ৰয়াস কৰিছে। আজি ইয়াৰ (ইছলামৰ) ওপৰত এটা ক'লা পৰ্দাই আৱৰি ধৰিছে আৰু কেইবা ধৰণৰ লোকসকল শিৰকত আবদ্ধ হৈ পৰিছে। হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল যে পাৰ্থিৱতাৰ সৈতে প্ৰেম নকৰিবা, কিন্তু এতিয়া পাৰ্থিৱ জগতৰ প্ৰেম প্ৰত্যেকৰেই হৃদয়ত ঠাই লৈ লৈছে আৰু যাক দেখা সেইজনেই প্ৰেমতেই ডুবি আছে। ধৰ্মৰ বাবে

যদি এটা শুকান ঘাঁহ দূৰ কৰিবলৈ কোৱা হয় তেতিয়া তেওঁ চিন্তা-ভাৱনাত পৰি যায় আৰু হাজাৰ আপত্তি আৰু নাটক আৰম্ভ কৰি দিয়ে। সকলো ধৰণৰ বেয়া কাৰ্যকলাপ আৰু বেয়াক স্বীকৃতি বুলি বুজি লয় আৰু প্ৰত্যেক ধৰণৰ অস্বীকৃতক মুকলি ভাৱে জোৰ দিয়া হয়। দ্বীন একেবাৰে অসহায় আৰু এতীম হৈ আছে। এই ক্ষেত্ৰত যদি ইছলামৰ সহায় আৰু সহযোগিতা কৰা নহয়, আৰু কেতিয়া ইছলামৰ বাবে সময় আহিব যেতিয়া ইছলামৰ সাহায্য কৰা হ'ব। ইছলামৰ কেৱল নাম ৰৈ গৈছে। এতিয়াও যদি সুৰক্ষা কৰা নহয় তেতিয়া এয়া সমাপ্ত হৈ যোৱাত কি শংকা আছিল; মই সঁচা কওঁ যে এয়া মাথোঁ কম বুজনিৰ ফলাফল হয় যে আন মুছলমানসকলৰ মাজত কি পাৰ্থক্য আছে ? যদি একেই কথা হ'ল হয় তেন্তে ইমান কষ্ট কৰাৰ কিয় প্ৰয়োজন হৈছিল ? এটা ছিলছিলা প্ৰতিষ্ঠিত কৰাৰ কিয় প্ৰয়োজন হৈছিল ? মই জানো যে আল্লাহ তা'লা বাৰম্বাৰ স্পষ্ট কৰিছে যে এনেকুৱা অন্ধকাৰ বিস্তাৰিত হৈ পৰিছে যে একোৱেই দেখিবলৈ পোৱা যোৱা নাই। সেই তৌহিদ যাৰ আমাৰ গৌৰৱ আছিল আৰু ইছলাম যাৰ ওপৰত আমি গৌৰৱ কৰিছিলোঁ সেয়া কেৱল ভাষা হিচাপে ৰৈ গ'ল,আৰু কাৰ্যকলাপ আৰু আৰ্থিকৰ ক্ষেত্ৰত বহু কম পৰিমাণেই হ'ব যিয়ে তৌহিদৰ স্বীকাৰ কৰে। আঁ-হজৰত (ছাঃ)য়ে কৈছিল পাৰ্থিৱতাৰ সৈতে প্ৰেম নকৰিবা কিন্তু এতিয়া সকলোৱে হৃদয় এই প্ৰেমত ডুবি গৈছে আৰু দ্বীন এক অসহায় আৰু এতীমৰ নিচিনা ৰৈ গৈছে। আঁ-হজৰত (ছাঃ)য়ে স্পষ্ট ৰূপত কৈছিল,

حُبُّ الدُّنْيَا رَأْسُ كُلِّ خَطِيْئَةٍ

(موسوعة لابن ابي الدنيا، كتاب ذم الدنيا، الجزء الاوّل، الحديث۹، ج۵، ص۲۲)

এয়া কিমান পৱিত্ৰ আৰু সত্য কলিমা হয় কিন্তু আজি চোৱা প্ৰত্যেকেই এই ভুলৰ মাজতেই আবদ্ধ হয়। আমাৰ বিৰোধী আৰ্যসকল আৰু খ্ৰীষ্টানসকল নিজৰ মযহবৰ সততাক বৰ ভালদৰে বুজিব পাৰিছে কিন্তু এতিয়া তাক নুমাব বিচাৰিছে। খ্ৰীষ্টানসকল ভালদৰে জানে যে সিহঁতৰ ধৰ্মৰ মূল আৰু শাখা ভাল নহয়। এজন মানুহক খোদা বনোৱা সঠিক নহয়,এই যুগত দৰ্শনশাস্ত্ৰ, ভৌতিক আৰু বৈজ্ঞানিক সকলৰ জ্ঞান উন্নতি লাভ কৰিছে আৰু মানুহ ভালদৰে বুজি

উঠিছে যে মছীহ্ এজন দুৰ্বল মানুহ হোৱাৰে বাহিৰে কোনো ক্ষমতাশালী শক্তি নিজৰ ভিতৰত ৰখা নাছিল আৰু এয়া অসম্ভৱ হয় যে সেই জ্ঞানক বৃদ্ধি কৰি নিজে নিজৰ অস্তিত্বৰ অভিজ্ঞতা ৰাখি আৰু মছীহৰ দুৰ্বলতাসমূহৰ অক্ষমতাক দেখি এয়া বিশ্বাস পোষণ কৰে যে তেওঁ খোদা আছিল ? কেতিয়াও নহয়।

শিৰক মহিলাৰ পৰা আৰম্ভ হৈছে আৰু মহিলাৰ পৰা তাৰ বুনিয়াদ বৃদ্ধি পাইছে অৰ্থাৎ حَوّا ৰ পৰা যিজনী খোদা তা'লাৰ আদেশ অমান্য কৰি চয়তানৰ আদেশক মানিছিল; আৰু ডাঙৰ শিৰক অৰ্থাৎ খৃষ্টীয় ধৰ্মৰ সমৰ্থক মহিলাই হয়। অতএৱ খৃষ্টীয় ধৰ্ম এনেকুৱা ধৰ্ম হয় যে মানুহৰ প্ৰকৃতিক দূৰৰ পৰা ধাক্কা (সংঘৰ্ষ) মাৰে আৰু তেওঁ তাক স্বীকাৰ কৰিবই নোৱাৰে। যদি মাজত দুনিয়াদাৰী নহ'ল হয় তেতিয়া খ্ৰীষ্টানসকলৰ বহু সংখ্যক দল আজি মুছলমান হৈ গ'ল হয়। কিছু মুছলমান খ্ৰীষ্টানৰ মাজত গোপন আছিল আৰু সিহঁতে ইছলামক গুপ্ত ৰাখিছে,কিন্তু মৃত্যুৰ আগত অচিয়ত কৰিছে আৰু ইছলামক প্ৰকাশ কৰিছে। এনেকুৱা লোকসকলৰ মাজত বহু ডাঙৰ ডাঙৰ পদবীদাৰী আছিল সিহঁতে পাৰ্থিৱতাৰ প্ৰেমৰ কাৰণে ইছলামক গোপন ৰাখিছে কিন্তু অৱশেষত সেয়া প্ৰকাশ কৰিব লগীয়া হৈছিল। মই দেখো যে সিহঁতৰ হৃদয়ত ইছলামে ঠাই বনাই লৈছিল আৰু সেয়া এতিয়া উন্নতি কৰি আছে। পাৰ্থিৱতাৰ প্ৰেমে মানুহক প্ৰেমিক বনাই লৈছে।

অৰ্থাৎ মুছলমানসকলৰ আভ্যন্তৰীণ ভিন্নতাৰ কাৰণ পাৰ্থিৱ প্ৰেম হয়। কাৰণ যদি কেৱল আল্লাহৰ সন্তুষ্টিক প্ৰাধান্য দিলে হয় তেতিয়া অতি সহজতে বুজিব পাৰিলে হয় যে অমুক ফিৰকাৰ মূল শিপা বেছি স্পষ্ট হয় আৰু তাক গ্ৰহণ কৰি ঐক্যবদ্ধ হৈ গ'ল হয়।এতিয়া পাৰ্থিৱতাৰ প্ৰেমৰ কাৰণে এই বেয়া সৃষ্টি হৈ আছে তেতিয়া এনেকুৱা লোকসকলক কেনেকৈ মুছলমান ক'ব পৰা যায়,কাৰণ সিহঁতৰ খোজ আঁ-হজৰত (ছাঃ)ৰ খোজত নহয়। আল্লাহ তা'লাই কৈছিল,

(3:32) اِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ

যদি তোমালোকে আল্লাহক ভাল পোৱা তেন্তে মোৰ অনুসৰণ কৰা,আল্লাই তোমালোকক ভাল পাব। (চুৰা আল-ইমৰান আয়াত ৩২) এতিয়া আল্লাহৰ

এই ভালপোৱাৰ পৰিৱৰ্তে আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ভাল পোৱাৰ পৰিৱৰ্তে পাৰ্থিৱতাৰ ভাল পোৱাক প্ৰাধান্য দিছে। এয়া আঁ-হজৰত (ছাঃ)ৰ আনুগত্য হয় নে ? আঁ-হজৰত (ছাঃ)পাৰ্থিৱ প্ৰেমিক আছিল নে ? তেখেতে সুত লৈছিল নে ? ঐশ্বৰিক আদেশসমূহ পালন কৰাত অৱহেলা কৰিছিল নে ? তেখেতৰ মাজত (নাউজুবিল্লাহ) কপটতা আছিল নে ? কথা গোপনকাৰী আছিল নে ? পাৰ্থিৱতাক ধৰ্মৰ ওপৰত প্ৰাধান্য দিছিল নে ? চিন্তা-ভাৱনা কৰা-

আনুগত্য এয়া যে তেখেত (ছাঃ)ৰ পদাঙ্কত চলা, তাৰ পিছত চোৱা খোদা তা'লা কেনেদৰে কৃপা কৰে; চাহাবা সকলে সেই পদ্ধতি অৱলম্বন কৰিছিল। তাৰ পিছত চোৱা সিহঁতক ক'ৰ পৰা ক'লৈ লৈ গৈছিল। সিহঁতে পাৰ্থিৱতাক লাত মাৰিছিল আৰু একেবাৰে পাৰ্থিৱ প্ৰেমৰ পৰা পৃথক হৈ গৈছিল। নিজৰ ইচ্ছাৰ ওপৰত মৃত্যুক সাৱটি লৈছিল। এতিয়া তুমি নিজৰ অৱস্থা তাৰ সৈতে মোকাবিলা কৰি চোৱা,সিহঁতৰ খোজত আছা নে ? পৰিতাপ এতিয়া মানুহবিলাকে বুজি নেপায় যে খোদা তা'লা সিহঁতৰ পৰা কি বিচাৰে; **رَأس كلّ خطيئةٍ** য়ে বহু শিশু দি দিছে (অৰ্থাৎ পাপৰ ফলত বহু সন্তান সন্ততিক বিনষ্ট কৰিছে)। কোনোবাই আদালতত যায় তেতিয়া এক আনা বা দুই আনা লৈ মিছা সাক্ষী দিয়াত অলপ পৰিমাণেও লাজ নকৰে। উকিল শপত লৈ ক'ব পাৰে নে সকলোবোৰ সাক্ষী সত্য আকাৰত প্ৰস্তুত কৰে ? আজি পৃথিৱীৰ অৱস্থা বৰ দুৰ্বল হৈ পৰিছে। যি দিকৰ পৰা চাওঁক মিছা সাক্ষী প্ৰস্তুত কৰে,মিছা মোকৰ্দমা কৰাক কোনো ভ্ৰূক্ষেপেই নকৰে,মিছা প্ৰমাণ বনাই লোৱা হয়। কোনো কথা বৰ্ণনা কৰিব সেয়াও সত্যৰ দিশক আঁতৰত ৰাখি ক'ব। এতিয়া এই লোকসকলৰ মাজৰ পৰা যিয়ে এই ছিলছিলা (অৰ্থাৎ জমাত আহমদীয়া)ৰ আৱশ্যকতাক বুজি নাপায়,সুধক এয়াই ধৰ্ম আছিল নে যাক আঁ-হজৰত (ছাঃ)য়ে লৈ আহিছিল ? আল্লাহ তা'লা মিছাক অপৱিত্ৰ বুলি কৈছে যে তাৰ পৰা বাচিবা,

اجْتَنِبُوا الرِّجْسَ مِنَ الْاَوْثَانِ وَ اجْتَنِبُوْا قَوْلَ الزُّوْرِ ۝٣١ (22:31)

অনুবাদ ঃ প্ৰতিমাবোৰৰ অশুচিতাৰ পৰা তোমালোকে আঁতৰি থাকিবা আৰু অসত্য কথা পৰিহাৰ কৰিবা। (চুৰা আল হজ আয়াত ৩১)

প্ৰতিমা পূজাৰ সৈতে এই মিছাক মিলাইছে যেনেকুৱা আহমক মানুহ আল্লাহ তা'লাক এৰি পাথৰৰ ফালে মূৰ অৱনমিত কৰে ঠিক তেনেকুৱাই সত্যক এৰি নিজৰ উদ্দেশ্যৰ বাবে মিছাক প্ৰতিমা বনাই লয়। ইয়াৰ কাৰণ এয়া যে আল্লাহ্ তা'লাই তাক প্ৰতিমা পূজাৰ সৈতে মিলাইছে আৰু তাৰ সৈতে সম্পৰ্ক গঢ়াইছে, যেনেকুৱা এজন প্ৰতিমা পূজা কৰাজনে প্ৰতিমাৰ পৰা মুক্তি বিচাৰে। মিছলীয়াজনেও নিজৰ তৰফৰ পৰা প্ৰতিমা, মূৰ্তি বনায় আৰু ভাৱে যে এই মূৰ্তিৰ মাধ্যমে মুক্তি পাই যাব। কিমান পৰিমাণে বেয়া সৃষ্টি হৈছে,যদি কোৱা হয় যে প্ৰতিমা পূজা কিয় হয়-এই অপৱিত্ৰক এৰি দিয়া তেতিয়া কয়,আমি কিয় এৰিম এয়া বিনা কেনেকৈ (জীৱন) অতিবাহিত কৰিম,ইয়াতকৈ ডাঙৰ আৰু কি দুৰ্ভাগ্য হ'ব যে মিছাৰ ওপৰতেই নিজৰ জীৱন নিৰ্বাহ বুলি ভাৱে,মই তোমালোকক বিশ্বাস স্থাপন কৰাও যে অৱশেষত সত্য কৃতকাৰ্য হয়,উন্নতি আৰু বিজয় সত্যৰেই হয়।

মোৰ মনত আছে যে মই এবাৰ অমৰিতছৰলৈ এটা বিষয় প্ৰেৰণ কৰিলোঁ,তাৰ সৈতে এখন চিঠিও আছিল। ৰালইয়াৰামৰ উকিল হিন্দ পত্ৰিকা সম্বন্ধে আছিল। মোৰ এই চিঠিক ডাক খানাৰ আইন বিৰোধী বুলি নিৰ্ধাৰিত কৰি মোকৰ্দমা তৰিলে। উকিলসকলেও কলে যে তেওঁ অস্বীকাৰ কৰি দিয়ক যে চিঠি প্ৰেৰণ কৰা নাই নতুবা ইয়াৰ বাহিৰে ৰেহাই নাই,অৰ্থাৎ মিছাৰ বাহিৰে একোৱে বচা নাই, কিন্তু মই ইয়াক পছন্দ নকৰিলোঁ আৰু এয়া কলো যে যদি সঁচা কোৱাত শাস্তি হয় হওঁক তথাপি মই মিছা নক'ম।শেষত সেই মোকৰ্দমা আদালতত উত্থাপন হ'ল। ডাক খানাৰ অফিচাৰ দাবীকাৰক হিচাপে উপস্থিত হ'ল। মোক যিমান সময়লৈ এই সম্পৰ্কে সুধিলে তেতিয়া মই স্পষ্ট ভাৱে কৈ দিলো এয়া মোৰ চিঠি হয়,কিন্তু মই তাক সেই বিষয়টোৰে এটা অংশ বুলি ভাৱি তাত ৰাখিছো। মেজিষ্ট্ৰেটে এয়া বুজি পালে আৰু আল্লাহ তা'লাই তেওঁক আধ্যাত্মিক দৃষ্টি দান কৰিলে। ডাক খানাৰ অফিচাৰজনে বৰ জোৰ লগালে কিন্তু তেওঁ একোৱেই শ্ৰৱণ নকৰি মোক বিদায় কৰি দিলে।* মই কিয় ক'ম যে মিছা অবিহনে কোনো উপায় নাই। এনেকুৱা কথা একেবাৰে

***টোকা ঃ** বদৰত এই ঘটনা বিস্তাৰিত ভাৱে উল্লেখ আছে,প্ৰায় সাতাইশ আৰু

অযথা হয়। সঁচা এয়া যে সত্যৰ বাহিৰে উপায় নাই। মই এতিয়ালৈকে যেতিয়াই এই ঘটনাক স্মৰণ কৰো তেতিয়া এক আনন্দ উপভোগ কৰো যে খোদা তা'লাৰ দিকক অৱলম্বন কৰিছোঁ। সেইজনাই মোক সাহায্য কৰিছে আৰু এনেকুৰা সাহায্য কৰিলে যি এক নিদৰ্শন হৈ গ'ল।

مَنۡ یَّتَوَکَّلۡ عَلَی اللّٰہِ فَھُوَ حَسۡبُہٗ (65:4)

(অনুবাদ ঃ যিজনে আল্লাহৰ ওপৰত নিৰ্ভৰ কৰে,আল্লাহ সেইজনৰ বাবে

---

**বাকী টোকা ঃ** আঠাইশ বছৰ অতিবাহিত হৈছে বা তাতকৈ আৰু কিছু বেছি হ'ব পাৰে যে সেই ব্যক্তিয়ে ইছলামৰ সমৰ্থনত আৰ্যসকলৰ মোকাবিলাত খ্ৰীষ্টানসকলৰ অনুসৰণত যাৰ নাম ৰালইয়াৰাম আছিল আৰু উকিলও আছিল আৰু অমৰিতছৰত অৱস্থান কৰিছিল,আৰু তেওঁৰ এখন পত্ৰিকাও প্ৰকাশ পাইছিল। এটা বিষয় প্ৰকাশ কৰাৰ উদ্দেশ্যত এটা পেকেট হিচাপে যাৰ দুয়ো ফালে খোলা আছিল প্ৰেৰণ কৰিলে আৰু এই পেকেটত এখন চিঠিও ৰাখি দিছিল। কাৰণ চিঠিত এনেকুৰা শব্দাৱলী আছিল য'ত ইছলামৰ সমৰ্থন আৰু আন ধৰ্মৰ বাতিলৰ প্ৰতি ইঙ্গিত আছিল আৰু বিষয়াৱলী প্ৰকাশিত কৰাৰ বাবে জোৰ দিছিল,সেই খ্ৰীষ্টানসকলে ধৰ্মৰ বিৰোধীতাৰ কাৰণে আনন্দিত হৈ পৰিল আৰু তেখেতৰ ওপৰত আক্ৰমণ চলোৱাৰ এটা সুযোগ পালে যে কোনো পৃথক চিঠি পেকেটত ৰাখি দিছে এয়া আইন মতে এক অপৰাধ আছিল,সেই ব্যক্তি জনৰ এই বিষয়ে একোৱে অৱগত নাছিল যে এনেকুৰা অপৰাধৰ শাস্তি ডাকৰ আইন মতে পাঁচ শ টকা জৰিমনা বা ছয় মাহৰ কাৰাদণ্ড হয়। গতিকে তেওঁ ৰিপোৰ্টাৰ হৈ ডাক খানাৰ অফিচাৰৰ পৰা এই ব্যক্তিৰ ওপৰত মোকৰ্দমা তৰিলে তাৰ আগতেই যে মই ইয়াৰ কোনো খবৰ পাওঁ। দিব্য দৰ্শনত আল্লাহ তা'লা মোৰ ওপৰত এয়া প্ৰকাশ কৰিলে যে ৰালইয়াৰাম উকিলে এটা সাপ দংশন কৰিবলৈ মোলৈ প্ৰেৰণ কৰিলে আৰু মই তাক মাছৰ নিচিনা ভাজি উভতাই প্ৰেৰণ কৰিলোঁ। মই জানো যে এই কথাৰ ফালে ইঙ্গিত আছিল যে অৱশেষত সেই মোকৰ্দমা যি ৰূপত আদালতে সিদ্ধান্ত দিছিলে সেয়া এক এনেকুৰা দৃষ্টান্ত আছিল যি উকিলৰ সহায়ক হ'ব পাৰিছিল।

অৰ্থাৎ মই এই অপৰাধত গুৰদাছপুৰ জিলাৰ সভাপতিৰ প্ৰয়োজন আছে বুলি কলো আৰু যি যি উকিলৰ পৰা মোকৰ্দমাৰ কাৰণে পৰামৰ্শ বিচৰা হ'ল সিহঁতে এয়াই পৰামৰ্শ দিলে যে মিছা কোৱাৰ বাহিৰে আন কোনো বাট নাই আৰু এই পৰামৰ্শ দিলে

যথেষ্ট। (চুৰা আততালাক আয়াত ৪)
নিশ্চিয় মনত ৰাখিবা মিছাৰ নিচিনা কোনো অশুভ বস্তু নাই। সাধাৰণতে দুনিয়াদাৰসকলে কয় যে সঁচা কওঁতাজন গ্ৰেপ্তাৰ হৈ যায়,কিন্তু মই ইয়াক কিয় বিশ্বাস কৰিম ? মোৰ ওপৰত সাত মোকৰ্দমা আৰোপিত হৈছে আৰু খোদা তা'লাৰ কৃপাত কোনো এটাতও এটা শব্দও মিছা লিখাৰ প্ৰয়োজন হোৱা নাই। কোনোবাই কওঁক কোনো এটাত খোদা তা'লাই মোক পৰাস্ত কৰিছে নে ? আল্লাহ তা'লা সত্যৰ সহকাৰী, সাহায্যকাৰী হৈ থাকিছে।এয়া হ'ব পাৰেনে সেইজনা সত্য জনক শাস্তি দিব ? যদি এনেকুৱাই হয় তেতিয়া দুনিয়াত কোনো ব্যক্তি সঁচা কোৱাৰ সাহস নকৰিব আৰু খোদা তা'লাৰ পৰা ভৰসা উঠি যাব। খোদা প্ৰেমিকসকলে জীৱিত অৱস্থাত মৃত্যু বৰণ কৰে।

মূল কথা এয়া যে সঁচা কোৱাৰ ফলত যি শাস্তি হয় সেয়া সত্য কোৱাৰ কাৰণে নহয় সেই শাস্তি তাক আৰু কিছুমান গুপ্তৰ পৰা গুপ্ত অশুভ কামৰ বাবে হয় আৰু আন কোনো মিছাৰ কাৰণে হয়। খোদা তা'লাৰ ওচৰত তাৰ অশ্লীলতা আৰু বেয়াৰ এক ছিলছিলা আছে। তেওঁৰ বহুতো ভুল আছে যাৰ ফলত কোনো কাৰণতে তেওঁ শাস্তি পাই যায়।

মোৰ এজন শিক্ষক গুল আলী শ্বাহ বাটালাৰ বাসিন্দা আছিল। তেওঁ শেৰ সিংৰ পুত্ৰ পৰতাপ সিং ক পঢ়াইছিল। তেও বৰ্ণনা কৰিছে যে এসময়ত শেৰ সিং য়ে নিজৰ বাৱৰচি (খাদ্য তৈয়াৰ কৰোঁতা) জনক কেৱল নিমখ আৰু জলকীয়া বেছি হোৱাত বহু মাৰ-ধৰ কৰে,তেওঁ বৰ সৰলতা মস্তিষ্কৰ আছিল,তেওঁ কলে,আপুনি বৰ নিৰ্মম ভাৱে প্ৰহাৰ কৰিলে। এই কথাৰ ভিত্তিত শেৰ সিং য়ে কলে,মৌলৱী চাহাবে নেজানে নে তেওঁ মোৰ শ মতা ছাগলী খাইছে,এইদৰে

---

**বাকী টোকা ঃ** যে এই ধৰণৰ কথা কৈ দিয়া যে আমি পেকেটত পত্ৰ সুমাই দিয়া নাই,ৰালইয়াৰামে স্বয়ং নিজেই সুমাই দিছে তথা শান্তনা দিয়াৰ বাবে কলে যে এনেকুৱা বৰ্ণনা দিয়াত সাক্ষী হিচাপে সিদ্ধান্ত হৈ যাব আৰু দুই চাৰিজন মিছা সাক্ষী দিলেও মুক্ত হৈ যাবা নতুবা মোকৰ্দমাৰ ৰূপ বহু কঠিন হয় আৰু কোনো মুক্তি পোৱাৰ বাট নাই। তাৰ পিছত মই সেইসকলক উত্তৰ দিলো যে মই কোনো প্ৰকাৰেই সত্যক এৰিব নুখুজো যি হয় হ'ব। তেতিয়া সেই দিন বা দ্বিতীয় দিন মোক এটা ইংৰাজৰ আদালতত উপস্থিত কৰা হয় আৰু মোৰ মোকাবিলাত ডাক খানাৰ

মানুহৰ অশুভৰ এক ঢেৰ হৈ যায় আৰু তেওঁ কোনো সুযোগ পাই ধৰা পৰি শাস্তি পাই যায়।*

যি ব্যক্তি সত্যক অৱলম্বন কৰিব কেতিয়াও হ'ব নোৱাৰে যে তেওঁ অসন্মানিত হ'ব, কাৰণ তেওঁ খোদা তা'লাৰ নিৰাপত্তাত থাকে আৰু খোদা তা'লাৰ সুৰক্ষা এনেকুৱা হয় যেনেকুৱা কোনো দুৰ্গৰ মাজত সুৰক্ষা,কিন্তু অসম্পূৰ্ণ কথা

**বাকী টোকা ঃ** অফিচাৰ চৰকাৰী দাবী হিচাপে উপস্থিত নহ'ল* সেই সময়ত আদালতৰ হাকিমে নিজৰ হাতেৰে মোৰ এজাহাৰ লিখিলে আৰু পোনপ্ৰথমে মোক এই প্ৰশ্ন কৰে যে এই চিঠি তুমি নিজৰ পেকেটত ৰাখি দিছিলা নে আৰু এই চিঠি আৰু এই পেকেট তোমাৰ হয় নে ? তেতিয়া মই তৎক্ষণাত উত্তৰ দিলো যে এইটো মোৰেই চিঠি আৰু মোৰেই পেকেট আৰু মই এই চিঠিখন পেকেটৰ ভিতৰত ৰাখি দি প্ৰেৰণ কৰিছিলোঁ,কিন্তু মই গৰ্ভনমেণ্টক ক্ষতি কৰাৰ উদ্দেশ্যত এই কাম কৰা নাই অৰ্থাৎ মই এই চিঠিক এই বিষয়ৰ পৰা পৃথক বুলি ভৱা নাই আৰু নে তাত ব্যক্তিগত কথা আছিল। এই কথা শুনাৰ লগে লগে খোদা তা'লাই এই ইংৰাজৰ হৃদয় মোৰ প্ৰতি ঘূৰাই দিলে আৰু মোৰ মোকাবিলাত ডাকখানৰ অফিচাৰজনে বহু হৈ হাল্লা কৰিলে আৰু দীৰ্ঘ দীৰ্ঘ ভাষণ ইংৰাজীত দিব ধৰিলে যাক মই বুজিব পৰা নাছিলো,কিন্তু মই ইমানখিনি বুজিব পাৰিলো যে প্ৰত্যেক ভাষণৰ পিছত ইংৰাজী ভাষাত সেই হাকিম ন ন কৰি তাৰ সকলোবোৰ কথাবোৰক থমাই দিছিল। পৰিণতি হিচাপে যেতিয়া সেই দাবীকাৰক অফিচাৰজনে নিজৰ সকলোবোৰ কাৰণ উপস্থাপন কৰিলে আৰু নিজৰ সকলোবোৰ উত্তেজনা সমাপ্ত হৈছিল তেতিয়া হাকিমে সিদ্ধান্ত লিখাৰ প্ৰতি ধ্যান দিলে আৰু সম্ভৱত এটা লাইন বা ডেৰ লাইন লিখি মোক কলে যে এতিয়া আপুনি যাব পাৰে। এয়া শুনি আদালতৰ কোঠালিৰ পৰা বাহিৰলৈ গ'ল আৰু নিজৰ এহছানকৰ্তাৰ ধন্যবাদ জ্ঞাপন কৰিলে যিয়ে এজন ইংৰাজ অফিচাৰৰ মোকাবিলাত মোকে বিজয় কৰিলে আৰু মই ভালদৰে জানিছিলোঁ যে এতিয়া সত্যৰ কল্যাণত খোদা তা'লা এই বিপদৰ পৰা মুক্তি দিলে। মই ইয়াৰ পূৰ্বে এই সপোনও দেখিছিলো

***টোকাৰ টোকা ঃ** ছহু কিতাপৰ পৰা **নহয়** বেছি আছে,**উপস্থিত** হোৱা উচিত

*বদৰত আছে। "মানুহ পাপ কোনো সময়ত কৰে আৰু আন কোনো সময়ত ধৰা পৰে" (বদৰ জিলদ ২,পৃঃ ৩,তাৰিখ ৯ ফেব্ৰুৱাৰী ১৯০৬ ইং)

কোনো উপকৃত হ'ব নোৱাৰে। কোনোবাই ক'ব পাৰেনে যে যেতিয়া পিয়াহ লাগে তেতিয়া মাথোঁ এটোপোলা পানীয়ে যথেষ্ট হ'ব বা বহু ভোকৰ সময়ত এটা দানা বা এমুঠি খাদ্যই ভোক সমাপ্ত কৰিব পাৰে? কেতিয়াও নহয়,যেতিয়ালৈকে তৃষ্ণা নিবাৰণৰ বাবে পৰিপূৰ্ণ পানী পান নকৰে বা খাদ্য নাখায় তেতিয়ালৈকে সন্তুষ্টি অৰ্জন নকৰে। এইদৰে যেতিয়ালৈকে আমল (কৰ্ম) পৰিপূৰ্ণ নহয় তেতিয়া সেই ফলপ্ৰসূ আৰু ফলাফল সৃষ্টি কৰিব নোৱাৰে যি হ'ব লাগে। ত্ৰুটিযুক্ত কৰ্মই আল্লাহ্ তা'লাক আনন্দিত কৰিব নোৱাৰে আৰু নে তেওঁ কল্যাণমণ্ডিত হ'ব পাৰে। আল্লাহ তা'লাৰ এয়াই প্ৰতিশ্ৰুতি হয় যে মোৰ ইচ্ছা মতে কাম কৰা তেতিয়াহে মই কল্যাণমণ্ডিত কৰিম।

অৰ্থাৎ এই কথাবোৰ দুনিয়াদাৰসকলে নিজেই সাজি লয় যে মিছাৰ বাহিৰে উপায় নাই। কোনোবাই কয় যে অমুক ব্যক্তিয়ে মোকৰ্দমাত সঁচা কৈছিল এই কাৰণে চাৰি বছৰৰ ধাৰা হৈ গৈছে। মই আকৌ ক'ম যে এইবোৰ কাল্পনিক কথা যি আধ্যাত্মিক জ্ঞানৰ অভাৱত হয়।

کسبِ کمال کن کہ عزیزِ جہاں شوی

এয়া ত্ৰুটিৰ কাৰণে হয়, যাৰ ফলত এনেকুৱা উন্নত ধৰণৰ ফল সৃষ্টি কৰিব নোৱাৰে। এজন ব্যক্তি যদি নিজৰ মোটা খাদিৰ চাঁদৰত কোনো কামান ভৰ্তি কৰি লয় তেতিয়া তেওঁ দৰ্জী হৈ যাব নোৱাৰে আৰু এয়াও প্ৰতীয়মান নহয় যে তেওঁ উন্নত ধৰণৰ ৰেচমৰ কাপোৰ শিলাই ল'ব; যদি তেওঁক এনেকুৱা কাপোৰ দিয়া হয় তেতিয়া ফলাফল এয়া ওলাব যে তেওঁ সেয়া নষ্ট কৰি পেলাব। অৰ্থাৎ এনেকুৱা পুণ্য যাৰ মাজত ময়লা মিশ্ৰিত আছে সেয়া কোনো কামৰে নহয়। খোদা তা'লাৰ সন্মুখত তাৰ কোনো সন্মান নাই,কিন্তু এই লোকসকলে ইয়াৰ ওপৰত গৌৰৱ কৰে আৰু তাৰ জৰিয়তে মুক্তি পাব বিচাৰে। যদি বিশুদ্ধতা আছে তেন্তে আল্লাহ তা'লা অলপ পৰিমাণৰ পুণ্যকো

---

**বাকী টোকা ঃ** যে এজন ব্যক্তিয়ে মোৰ টুপী নমোৱাৰ ভাৱে হাত লগালে,মই কলো কি কৰি আছে? তেতিয়া তেওঁ মোৰ টুপী মোৰ মূৰৰ ওপৰত থাকিবলৈ দিলে এই বুলি কৈ যে উত্তম হয় উত্তম হয়। (বদৰ জিলদ ৫ পৃঃ ৩, তাৰিখ ২ ফেব্ৰুৱাৰী ১৯০৬ ইং)

বিনষ্ট নকৰে,সেইজনাই নিজেই কৈছে,

(99:8) فَمَنْ يَّعْمَلْ مِثْقَالَ ذَرَّةٍ خَيْرًا يَّرَهٗ ۝

(অনুবাদ ঃ যিয়ে অলপ পৰিমাণেও পুণ্য কৰিব সেয়া তেওঁ চাই ল'ব।
(চুৰা জিলজাল আয়াত ৮)

এই কাৰণে যদি অলপ পৰিমাণেও পুণ্য কৰে আল্লাহ তা'লাৰ পৰা তাৰ প্ৰতিদান পাব। আকৌ ইয়াৰ কাৰণ কি যে ইমান পৰিমাণে পুণ্য কৰিও তাৰ ফল নাপায়। তাৰ কাৰণ এয়া যে তাৰ মাজত বিশুদ্ধতা নাই। কৰ্মৰ বাবে বিশুদ্ধতা চৰ্ত আছে যেনেকুৱা কৈছে,

(98:6) مُخْلِصِيْنَ لَهُ الدِّيْنَ ۙ

এই বিশুদ্ধতা সেই লোকসকলৰ মাজত হয় যিসকল (ধৰ্মৰ খাতিৰে) পৰিৱৰ্তন বিচাৰে।

এই লোকসকল খোদা তা'লাত বিলীন হৈ যায় আৰু এই পাৰ্থিৱতাৰ হৈ নাথাকে। সিহঁতৰ প্ৰত্যেক কামবোৰত এক বিশুদ্ধতা থাকে,কিন্তু দুনিয়াদাৰী সকলৰ এই অৱস্থা যে সিহঁতে খায়ৰাত (ছাদকা খায়ৰাত) কৰে কিন্তু তাৰ ভাৱে সিহঁতে নিজৰ প্ৰশংসা বিচাৰে,যদি কোনো পুণ্য কামৰ বাবে কোনোবাই চান্দা দিয়ে তাৰ উদ্দেশ্য এয়া হয় যে পত্ৰিকাসমূহত যেন তেওঁৰ প্ৰশংসা হৈ যায়,মানুহে যেন প্ৰশংসা কৰে। তেওঁৰ পুণ্য খোদাৰ সৈতে কি সম্পৰ্ক ? বহু লোকসকলে বিয়া-বাৰু পাতে সেই সময়ত সকলোবোৰ গাঁৱত ৰুটিৰ ব্যৱস্থা কৰে কিন্তু সেয়া খোদাৰ বাবে নহয় মাথোঁ দৃশ্য আৰু প্ৰশংসাৰ বাবে কৰে। যদি দেখুৱা নহ'ল হয়,আৰু কেৱল আল্লাহ তা'লাৰ স্ৰষ্টাৰ সেৱাৰ বাবে এই কাৰ্য হ'ল হয় আৰু বিশুদ্ধতাৰে খোদাৰ বাবে ওলী হৈ গ'ল হয়। কিন্তু এই কৰ্মসমূহৰ খোদা তা'লাৰ সৈতে কোনো সম্পৰ্ক গঢ়াৰ উদ্দেশ্য নাথাকে, এই কাৰণে কোনো পুণ্য আৰু বৰকতময় প্ৰভাৱ সিহঁতৰ মাজত সৃষ্টি নহয়।

এয়া ভালদৰে স্মৰণ ৰখা যে যি ব্যক্তি খোদা তা'লাৰ হৈ যায় খোদা তা'লা তাৰ হৈ যায়,আৰু খোদা কোনোবাৰ প্ৰবঞ্চনাত নাহে। যদি কোনোবাই এয়া বিচাৰে যে মিছা আৰু প্ৰবঞ্চনাৰ সৈতে খোদাক ঠগ্‌াই ল'ম এয়া আহমক আৰু অজ্ঞতা হয়। তেওঁ নিজেই প্ৰবঞ্চনাত পৰে,পাৰ্থিৱ সৌন্দৰ্যতা,দুনিয়াৰ

প্ৰেম সকলোবোৰৰ মূল হয় ত্ৰুটিসমূহ। ইয়াত মানুহ অন্ধ হৈ মানৱতাৰ পৰা ওলাই যায় আৰু বুজি নাপায় যে মই কি কৰি আছো আৰু মোক কি কৰা উচিত আছিল। কোনো জ্ঞানী মানুহ কাৰোবাৰ প্ৰবঞ্চনাত আহিব নোৱাৰে। গতিকে আল্লাহ তা'লা কেনেকৈ কোনোবাৰ প্ৰবঞ্চনাত আহিব পাৰে। কিন্তু এনেকুৱা বেয়া কৰ্মৰ মূল দুনিয়াৰ প্ৰেম হয়। সকলোতকৈ ডাঙৰ পাপ যি এতিয়া মুছলমানসকলক ধ্বংসাত্মক অৱস্থাত আৱদ্ধ কৰি ৰাখিছে সেয়া পাৰ্থিৱতাৰ প্ৰতি ভালপোৱাৰ কাৰণ হয়। শুই থাকোতে, উঠি থাকোতে, চলা-ফুৰা কৰোঁতে সদায় লোকসকল এই শোকত চিকাৰ হৈছে,আৰু সেই সময়ৰ চিন্তা-চেতনা নাই যে যেতিয়া কবৰত ৰখা হ'ব,এনেকুৱা লোকসকল যদি আল্লাহৰ প্ৰতি ভয় ৰাখিল হয় আৰু দ্বীনৰ প্ৰতি অলপ পৰিমাণেও চিন্তা-ভাৱনা কৰিল হয় তেতিয়া কিছু পৰিমাণে উপকাৰ হ'ব পাৰিল হয়। ছাঈদীয়ে কয়,

گر وزیر از خدا ترسیدے

শ্ৰমিকসকলে উপাৰ্জনৰ বাবে নিজৰ কামত কেনেকুৱা ফূৰ্তি আৰু চতুৰতা দেখুৱায় কিন্তু যেতিয়া নমাজৰ সময় আহে তেতিয়া ঠাণ্ডা পানী দেখি ৰৈ যায়,এনেকুৱা কথাসমূহ কিয় সৃষ্টি হয় ? এই কাৰণে যে আল্লাহ তা'লাৰ মৰ্যাদা হৃদয়ত জাগৰণ নহয়। যদি খোদা তা'লাৰ প্ৰতি অলপ পৰিমাণেও মহত্ব থাকিল হয় আৰু মৃত্যু হোৱাৰ ধাৰণা আৰু বিশ্বাস (হৃদয়ত) সৃষ্টি হ'ল হয় তেতিয়া সকলোবোৰ অৱহেলা আৰু আলস্যৰ সমাপ্ত ঘটিল হয়। এই কাৰণে খোদা তা'লাৰ মহত্ব হৃদয়ত ৰাখিব লাগে আৰু খোদা তা'লাৰ প্ৰতি সদায় ভয় কৰা উচিত। সেইজনাৰ গ্ৰেপ্তাৰী ভয়াবহ হয়। সেইজনা পৰ্দাপুশী (আৱৰণ) কৰে আৰু ক্ষমা কৰে,কিন্তু যেতিয়া কোনোবাক ধৰে তেতিয়া বৰ কঠোৰতাৰ সৈতে ধৰে এনেকৈ ধৰে,

(91:16) وَلَا يَخَافُ عُقْبٰهَا ۝١٦

(অনুবাদ ঃ অৰ্থাৎ যেতিয়া তেওঁ তাৰ পৰিণামৰ কোনো ভ্ৰূক্ষেপ কৰা নাছিল। (চুৰা আশ্ব-শ্বামছ আয়াত ১৬)

আকৌ তেওঁ এই বিষয়ৰ প্ৰতি কোনো ভ্ৰূক্ষেপেই কৰা নাছিল যে তাৰ

পূৰ্বসকলৰ কি অৱস্থা হৈছিল। তাৰ পৰিপন্থী যিসকলে আল্লাহৰ প্ৰতি ভয় কৰে, আৰু আল্লাহৰ মহত্বক হৃদয়ত স্থান দিয়ে; খোদা তা'লা সিহঁতক সন্মান দিয়ে আৰু নিজেই সিহঁতৰ বাবে সুৰক্ষাকাৰী হৈ যায়। হাদীছত আহিছে,

مَن كَانَ لِلّٰه كان الله لهٗ

(বাহাৰুল আনোৱাৰ, আল্লামা মজলিছ জিলদ ৭২ পৃঃ ১৯৭)
অৰ্থাৎ যি ব্যক্তি আল্লাহৰ হৈ যায় আল্লাহ তা'লা তেওঁৰ হৈ যায়,কিন্তু পৰিতাপ এয়া যে যি লোকসকলে এই ফালে ধ্যান দিয়ে আৰু খোদা তা'লাৰ ফালে আহিব বিচাৰে সিহঁতৰ মাজৰ বেছিৰ ভাগেই এয়া বিচাৰে যে,

ہتھیلی پر سرسوں جمادی جاوے

(অৰ্থ ঃ অসম্ভৱক সম্ভৱ কৰি দিয়ে)),সিহঁতে নেজানে যে দ্বীনৰ কামত কিমান ধৈৰ্য আৰু উৎসাৰ প্ৰয়োজন আছে,আশ্চৰ্য এয়া যে সেই দুনিয়া যাৰ বাবে সিহঁতে ৰাতি দিনে মগ্ন থাকে আৰু ঘূৰি ফুৰে আৰু সেই কামৰ বাবে বছৰৰ পিছত বছৰৰ অপেক্ষাত থাকে। কৃষকসকলে বীজ বপন কৰি কিমান সময়লৈ অপেক্ষা কৰি থাকে কিন্তু ধৰ্মৰ কাম যেতিয়া আহে তেতিয়া কয় যে ফু মাৰি ওলী বনাই দিম,আৰু প্ৰথম দিনাই বিচাৰে যে তেওঁ আৰশ্বলৈ যেন যাব পাৰে,বৰং এই অভিযানত নে কোনো ক্লেষ্ট-কষ্ট সহ্য কৰিছে আৰু নে কোনো পৰীক্ষাৰ সন্মুখীন হৈছে।

ভালদৰে স্মৰণ ৰখা আল্লাহ তা'লাৰ এই কানুন আৰু আইন নহয়,ইয়াত সকলো উন্নতিৰ সোপান্ আছে আৰু খোদা তা'লা বাহ্যিক কথাসমূহত ইমান আনন্দিত নহয় যে আমি কৈ দিলো যে আমি মুছলমান হওঁ বা মোমিন হওঁ। অৰ্থাৎ তেওঁ কৈছে,

(29:3) اَحَسِبَ النَّاسُ اَنۡ يُّتۡرَكُوۡۤا اَنۡ يَّقُوۡلُوۡۤا اٰمَنَّا وَهُمۡ لَا يُفۡتَنُوۡنَ ۝

অৰ্থাৎ মানুহে এয়া ধাৰণা কৰি ৰাখিছে নে যে এইখিনি কোৱাতেই যে আমি বিশ্বাস স্থাপন কৰিছোঁ আৰু সিহঁতক বিনা পৰীক্ষাত এৰি দিয়া হ'ব।(চুৰা আনকবুত আয়াত ৩) এই কাম ছুন্নতৰ পৰিপন্থী হয় যে ফু মাৰি ওলী বনাই দিব। যদি এয়াই ছুন্নত আছিল তেন্তে আঁ-হজৰত (ছাঃ)য়ে এনেকুৱাই কৰিল হয় আৰু নিজৰ প্ৰাণ বিসৰ্জন দিওঁতা চাহাবাসকলক ফু মাৰি ওলী বনাই দিলে

হয়। সিহঁতক পৰীক্ষাত পেলাই সিহঁতৰ মূৰ নাকাটুৰালেহেঁতেন,খোদা তা'লা সিহঁতৰ বিষয়ে কৈছে,

فَمِنْهُمْ مَّنْ قَضٰى نَحْبَهٗ وَمِنْهُمْ مَّنْ يَّنْتَظِرُ ۖ وَمَا بَدَّلُوْا تَبْدِيْلًا ۙ (33:24)

(অনুবাদ ঃ আৰু তেওঁলোকৰ মাজৰ কিছুমানে তেওঁলোকে কৰা ব্ৰত সম্পূৰ্ণৰূপে পালন কৰিছিল,আৰু কিছুমানে তেওঁলোকৰ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ অপেক্ষা কৰি আছে; আৰু তেওঁলোকৰ (সঙ্কল্পৰ) অকণো পৰিবৰ্তন হোৱা নাই।(চুৰা আহজাব আয়াত ২৪)

অৰ্থাৎ দুনিয়া বিনা কঠিনতা আৰু পৰিশ্ৰমে হাতত নাহে,গতিকে অতি মূৰ্খ হয় সেই ব্যক্তি যিয়ে ধৰ্মক বিনা কষ্টত তৈয়াৰ হোৱা হালৰা বুলি ভাৱে। এইটো সত্য যে ধৰ্ম অতি সহজ কিন্তু সকলোবোৰ নিয়ামতে (অনুগ্ৰহই) কঠিনতাক বিচাৰে; ইছলামে ইমানখিনিও কষ্টও ৰখা নাই। হিন্দুসকলৰ মাজত চাওঁক যে সিহঁতৰ যোগীসকল আৰু সন্নাসী সকলক কি কি কৰিব লাগে,কৰোবাত সিহঁতৰ কঁকাল দমন কৰিব লাগে,কোনোবাই নোখ বঢ়ায়,এনেকুৱা খ্ৰীষ্টানত ৰহবানিয়ত (সন্নাসী) আছিল,ইছলামে এই কথাসমূহৰ পৰা আঁতৰত,অৰ্থাৎ ইছলামে এয়া শিক্ষা দিছে যে, (91:10) قَدْ اَفْلَحَ مَنْ زَكّٰىهَا ۙ অৰ্থাৎ যিজনে নিজৰ আত্মাক পৱিত্ৰ কৰিছে তেওঁ মুক্তি পাই গৈছে,অৰ্থাৎ যিয়ে প্ৰত্যেক ধৰণৰ বিদা'ত,অশ্লীলতা,অযথা কথাসমূহ আৰু প্ৰবৃত্তিৰ উৎসাৰ পৰা খোদাৰ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে পৃথক কৰি লৈছে,আৰু সকলো ধৰণৰ প্ৰবৃত্তিৰ স্বোৱাদক এৰি খোদাৰ পথৰ কষ্টক প্ৰাধান্য দিছে,এনেকুৱা ব্যক্তি সঁচাকৈয়ে মুক্তিপ্ৰাপ্ত হয় যিয়ে খোদা তা'লাক প্ৰাধান্য দিয়ে আৰু পাৰ্থিৱতাক এৰি দিয়ে* আকৌ কৈছে যে, (91:11) وَقَدْ خَابَ مَنْ دَسّٰىهَا ۙ অৰ্থাৎ তেওঁ

*টোকা ঃ বদৰৰ পৰা- যিজনে ধৰ্মক প্ৰাধান্য দিছে তেওঁ খোদাৰ সৈতে মিলিত হৈছে,প্ৰবৃত্তিক মাটিৰ সৈতে মিলাই দিয়া উচিত। খোদাক প্ৰত্যেক কথাৰ ওপৰত প্ৰাধান্য দিয়া উচিত। এয়াই ধৰ্মৰ সাৰাংশ হয় যিমান বেয়া পদ্ধতি সেয়া ত্যাগ কৰা উচিত,তেতিয়া খোদাক পোৱা যায়। (বদৰ জিলদ ২ নম্বৰ ৬ পৃঃ ৩, তাৰিখ ৯ ফেব্ৰুৱাৰী ১৯০৬ ইং)

মাটিৰ নিচিনা হৈ গৈছে যিয়ে নিজৰ প্ৰবৃত্তিক ধূলিকণা কৰি লৈছে অৰ্থাৎ ভূমিৰ ফালে হেলনীয়া হৈ পৰিছে,এই এটা বাক্য কোৰাণ কৰীমৰ গোটেই শিক্ষাৰ সাৰমৰ্ম হয়, যাৰ পৰা জানিব পৰা যায় যে মানুহ কেনেদৰে খোদাৰ ফালে আগবাঢ়ে। এয়া একেবাৰে সত্য আৰু সঠিক কথা যে যেতিয়ালৈকে মানুহে প্ৰবৃত্তিৰ বেয়া পদ্ধতি এৰি নিদিয়ে তেতিয়ালৈকে খোদাক প্ৰাপ্ত কৰিব নোৱাৰে। যদি দুনিয়াৰ বেয়াৰ পৰা ওলাব বিচাৰে আৰু খোদা তা'লাক প্ৰাপ্ত কৰিব বিচাৰে তেন্তে সেই স্বোৱাদক এৰিব লাগিব,নতুবা,

ہم خدا خواہی و ہم دنیائے دوں
ایں خیال است و محال است و جنوں

মানুহৰ প্ৰকৃতিত আচলতে বেয়া নাছিল আৰু নে কোনো বস্তু বেয়া আছে,কিন্তু ব্যৱহাৰে বেয়া বনাই দিয়ে উদাহৰণ স্বৰূপ,ৰিয়াক (প্ৰদৰ্শিতক) লোৱা, এয়াও ধৰাচলতে বেয়া নহয় কাৰণ যদি কোনো কাম কেৱল খোদা তা'লাৰ বাবে কৰে আৰু এই কাৰণেই কৰে যে সেই পুণ্যৰ প্ৰভাৱ আনৰ ওপৰতো পৰে সেই সময়ত এই প্ৰদৰ্শিত এক পুণ্য হয়।

ৰিয়া (প্ৰদৰ্শিত) দুই ধৰণৰ হয়,এটা দুনিয়াৰ বাবে; উদাৰণস্বৰূপ,কোনো ব্যক্তিয়ে নমাজ পঢ়াই আছে পিছত কোনো ডাঙৰ মানুহ আহি যায় তাৰ ধাৰণা অনুযায়ী নমাজক দীৰ্ঘ কৰা আৰম্ভ কৰি দিয়ে,এই ক্ষেত্ৰত কিছুমান মানুহৰ ওপৰত এনেকুৱা ভীতি হৈ পৰে যে তেওঁ যেন পাহৰি পাহৰি গৈ আছে,এয়াও এক ধৰণৰ ৰিয়া হয় যি সদায় প্ৰকাশিত নহয়,কিন্তু যথা সময়ত যেনেকুৱা ভোকৰ সময়ত ৰুটি খায় বা পিয়াহৰ সময়ত পানী পান কৰে,কিন্তু তাৰ পৰিপন্থী যি ব্যক্তিয়ে মাথোঁ নমাজক আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে সৌন্দৰ্যতাৰ সৈতে আদায় কৰে সেয়া ৰিয়াৰ অন্তৰ্ভুক্ত নহয়,অৰ্থাৎ আল্লাহৰ সন্তুষ্টি অৰ্জনৰ এক মাধ্যম হয়। গতিকে ৰিয়াৰো সোপান আছে,আৰু মানুহ এনেকুৱা প্ৰাণী হয় যে সুযোগ পোৱাত বেয়াৰ ওপৰত দৃষ্টি নাৰাখে উদাহৰণস্বৰূপ,এজন ব্যক্তিয়ে নিজকে ডাঙৰ পৱিত্ৰ বুলি ভাৱে বাটেদি অকলেই গৈ আছে,বাটত এটা গহনাৰ থৈলা পাই যায় তেওঁ সেয়া দেখে আৰু ভাৱে যে হস্তক্ষেপৰ কোনো

কথা নহয়,কোনোবাই দেখা নাই,যদি সেয়া সেই মুহূৰ্ত নহৈ বেলেগ সময়ত হয় তেতিয়া তেওঁ ভাৱে যে এয়া আনৰ অধিকাৰ হ'ব আৰু যি টকা পৰি আছে সেয়া আন কাৰোবাৰ হয়,এই কথাবোৰ ভাৰি যদি তেওঁ লালস নকৰে তেতিয়া তেওঁ পৰিপূৰ্ণ ভাৱে পৱিত্ৰ আৰু খোদা ভীতিৰ সৈতে কাম লয়,আৰু যদি বাহ্যিক দাবীয়ে দাবী হয় তেতিয়া সঁচা মুকলি হৈ যাব আৰু তেওঁ সেয়া লৈ ল'ব।

এইদৰে এজন ব্যক্তি যাৰ বিষয়ে এয়া ধাৰণা কৰা হয় যে তেওঁ ৰিয়া নকৰে,যেতিয়া ৰিয়াৰ সময় হয়, তেতিয়া তেওঁ নকৰে, তেতিয়া প্ৰমাণিত হৈ যায় যে তেওঁ নকৰে,যেনেকুৱা এতিয়াই মই উল্লেখ কৰিছোঁ মাজে সময়ে এই অভ্যাসৰ সোপান এনেকুৱা হয় যে সেয়া পুণ্যলৈ পৰিৱৰ্তন হৈ যায়,অৰ্থাৎ নমাজ যি জমাতৰ সৈতে পঢ়া হয় এয়াও এক ৰিয়া হয়,মানুহৰ উদ্দেশ্য যদি প্ৰদৰ্শিত হয় তেতিয়া সেয়া ৰিয়া হয়,আৰু যদি ইয়াৰ উদ্দেশ্য কেৱল আল্লাহ আৰু তাৰ ৰছুলৰ আনুগত্য হয় তেতিয়া এয়া এক আশ্চৰ্যমূলক অনুগ্ৰহ হয়। অৰ্থাৎ মছজিদত নমাজ পঢ়িবা আৰু ঘৰতো। এনেকুৱাই দ্বীনৰ কামৰ বাবে চান্দা একত্ৰিত হোৱা প্ৰয়োজন। এজন ব্যক্তিয়ে দেখে যে লোকসকল জাগৰণ হোৱা নাই আৰু নীৰৱ আছে,সিহঁতে কেৱল এই কাৰণেই নীৰৱ আছে যে লোকসকলৰ মাজত তেহেৰিক হওঁক আৰু সিহঁতে সকলোতকৈ প্ৰথমে চান্দা দিব। দেখাত এয়া ৰিয়া হ'ব কিন্তু পুৰস্কাৰৰ ভাগীদাৰী হ'ব। এইদৰে খোদা তা'লা কোৰাণ শ্বৰীফত কৈছে,

(31:19) وَلَا تَمۡشِ فِى الۡاَرۡضِ مَرَحًا ؕ

অৰ্থাৎ পৃথিৱীত ফিতাহি মাৰি চলা-ফুৰা নকৰিবা।

কিন্তু হাদীছৰ পৰা প্ৰমাণিত যে এটা যুদ্ধত এজন ব্যক্তি ফিতাহি মাৰি আৰু নিজৰ বুকুখন দেখুৱাই গৈ আছিল,আঁ-হজৰত (ছাঃ)য়ে তেওঁক দেখি কয় যে এই কাৰ্য খোদাৰ তা'লাৰ পছন্দ নহয়,কিন্তু আল্লাহ তা'লা এই সময়ত তেওঁক পছন্দ কৰে,অৰ্থাৎ

گر حفظ مراتب نہ کنی زندیقی

অৰ্থাৎ আচৰণ যথাস্থানত মোমিন বনাই দিয়ে আৰু অনুচিত স্থানত কাফিৰ

বনাই দিয়ে। মই প্ৰথমেই কৈছো কোনো আচৰণ বেয়া নহয় অৰ্থাৎ বেয়া ব্যৱহাৰে বেয়া বনাই দিয়ে।

হজৰত উমৰ (ৰাঃ)ৰ ক্ৰোধৰ বিষয়ে উল্লেখ আছে যে তেখেতক কোনোবাই সুধিলে যে ইছলাম গ্ৰহণ কৰাৰ আগতে আপুনি বৰ খঙাল আছিল। হজৰত উমৰ (ৰাঃ)য়ে উত্তৰ দিলে যে খং সেয়াই হয় অৰ্থাৎ আগতে ঠিকনাবিহীন চলিছিল আৰু এতিয়া ঠিকনা মতে চলিছে। ইছলাম প্ৰত্যেক শক্তিক নিজৰ স্থানত ব্যৱহাৰ কৰাৰ হিদায়ত দিয়ে। অৰ্থাৎ এয়া কেতিয়াও নেভাৰিবা যে তোমাৰ শক্তি শেষ হ'ব ধৰিছে,অৰ্থাৎ সেই শক্তিক সঠিক পদ্ধতিত ব্যৱহাৰ কৰিবলৈ শিকক।এইবোৰ কাল্পনিক আকিদা হয় যিসকলে কয় যে আমাৰ শিক্ষা এয়া যে এটা গালত থাপ্পৰ খাই আন এখন গাল পাতি দিয়া। সম্ভৱত এই শিক্ষা সেই সময়ত আইন **مختصّ الزّمان** বা **مختصّ المكان** ৰ নিচিনা হয়। সৰ্বদা এই আইন নে কেতিয়াবা হ'ব পাৰে আৰু নে চলিব পাৰে,কাৰণ মানুহ এনে এটা গছৰ নিচিনা হয় যাৰ শাখা চাৰিওফালে বিস্তাৰ লাভ কৰিছে। যদি তাৰ এটা শাখাৰ প্ৰতি ধ্যান দিয়া হয় তেতিয়া তাৰ বাকী শাখাবোৰ বিনষ্ট ঘটিব। খ্ৰীষ্টান ধৰ্মৰ এই শিক্ষাত যি দুৰ্বলতা আছে সেয়া স্পষ্ট। ইয়াৰ পৰা মানুহৰ সকলোবোৰ শক্তিৰ বিকাশ কেনেকৈ হ'ব পাৰে; আৰু যদি ক্ষমা কৰি দিয়াই উত্তম হয় তেতিয়াহলে প্ৰতিশোধ লোৱাৰ শক্তি তেওঁৰ ভিতৰত কিয় ৰাখিছে ? আৰু কিয় সেই ক্ষমা কৰা শিক্ষাৰ ওপৰত কাৰ্যকৰী নহয় ? কিন্তু ইয়াৰ পৰিপন্থী তাৰ পৰিপূৰ্ণ শিক্ষা এয়া হয় যি ইছলামে উত্থাপন কৰে আৰু যি আঁ-হজৰত (ছাঃ)ৰ মাধ্যমে আমি পাইছো আৰু সেয়া এই যে,

وَجَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثْلُهَا ۚ فَمَنْ عَفَا وَاَصْلَحَ فَاَجْرُهٗ عَلَى اللّٰهِ ؕ

(42:41)

অৰ্থাৎ মনত ৰাখিবা যে এটা আঘাতৰ প্ৰতিশোধ একে ধৰণৰেই এটা আঘাত; কিন্তু যিয়ে ক্ষমা কৰে আৰু তাৰ দ্বাৰা তেওঁৰ সংশোধন হৈ যায় আৰু কোনো বেয়া সৃষ্টি নহয় তেতিয়া তাৰ প্ৰতিদান আল্লাহৰ ওচৰত আছে।

ইয়াৰ পৰা স্পষ্টৰূপত প্ৰকাশ পায় যে কোৰাণ কৰীমৰ কেতিয়াও এয়া ইচ্ছুক নহয় যে প্ৰত্যেক স্থানত বেয়াৰ মোকাবিলা নকৰিব আৰু প্ৰতিশোধ

নোলোৱা হওঁক,অৰ্থাৎ আল্লাহৰ ইচ্ছা এয়া যে স্থান আৰু সময়ক দেখা উচিত যে সেই সময় পাপ ক্ষমা কৰাৰ যোগ্য নে শাস্তি দিয়াৰ যোগ্য। যদি সেই সময়ত শাস্তি দিয়াত সংশোধন হৈ যায় তেতিয়া সিমানখিনি শাস্তি দিব লাগে যিমানখিনি শাস্তিৰ যোগ্য,আৰু যদি ক্ষমা কৰি দিয়াৰ যোগ্য তেতিয়া শাস্তিৰ ধাৰণা এৰি দিব।

এই গুণ আছে এই শিক্ষাত কাৰণ সেয়া সকলো দিকৰ ফালে লক্ষ্য ৰাখে। যদি ইঞ্জিলৰ ওপৰত আমল কৰি প্ৰত্যেক উপদ্ৰবী আৰু দুষ্টক এৰি দিয়া হয় তেতিয়া পৃথিৱীত অন্ধকাৰ বিৰাজ কৰিব। অৰ্থাৎ তুমি সদায় এই ধাৰণা ৰখা যে সকলোবোৰ শক্তি মৃত নহয়। তোমাৰ চেষ্টা এয়া হোৱা উচিত যে যথাস্থান ব্যৱহাৰ কৰা। মই বিশ্বাসেৰে ক'ব পাৰো যে এই শিক্ষা এনেকুৱা হয় যিয়ে মানুহৰ শক্তিৰ মানচিত্ৰ তৈয়াৰ কৰি দেখুৱাই দিছে,কিন্তু পৰিতাপ সেইসকল লোকসকলৰ ওপৰত যিসকলে খ্ৰীষ্টানসকলৰ সুমধুৰ কথাবোৰক শ্ৰৱণ কৰি প্ৰৱঞ্চনাত পৰি যায় আৰু ইছলামৰ অনুগ্ৰহক হাতৰ পৰা এৰি বহি যায়। সত্য সকলো অৱস্থাত আনৰ বাবে মিঠা স্বোৱাদ প্ৰকাশ নকৰে। যিদৰে মাতৃয়ে সদায় শিশুক খোৱাৰ বাবে মিঠা বস্তু দিব নোৱাৰে অৰ্থাৎ কেতিয়াবা তিক্ত ঔষধো দিয়ে।এনেকুৱাই এজন সত্য সংশোধনকাৰীৰ অৱস্থা হয়। এই শিক্ষাই সকলো ফালৰ পৰা কল্যাণমণ্ডিত হয়। খোদা এনেকুৱা যে, সত্য খোদা হয়। আমাৰ খোদাৰ ওপৰত খ্ৰীষ্টানসকলেও বিশ্বাস স্থাপন কৰে,যি খোদাৰ গুণাৱলী আমি স্বীকাৰ কৰো সেই সকলোবোৰ মান্য কৰিব লাগিব। পাদৰী ফাণ্ডাৰ এঠাইত নিজৰ পুস্তকত লিখিছে যে যদি কোনো এনেকুৱা দ্বীপ য'ত খ্ৰীষ্টানসকলৰ উপদেশ গৈ পোৱা নাই তেতিয়া কিয়ামতৰ দিনা সিহঁতৰ সৈতে কি প্ৰশ্ন হ'ব ? নিজেই উত্তৰ দিয়ে যে সিহঁতৰ সৈতে এই প্ৰশ্ন কৰা নহ'ব যে তুমি ঈছাৰ ওপৰত আৰু তাৰ কাফাৰাৰ ওপৰত ঈমান আনিছে নে নাই,অৰ্থাৎ সিহঁতক এয়াই প্ৰশ্ন কৰা হ'ব যে তোমালোকে সেই খোদাক স্বীকাৰ কৰা নে যি ইছলামৰ গুণাৱলীৰ খোদা এক অংশী বিহীন হয়।

ইছলামৰ খোদা সেই খোদা হয় যে প্ৰত্যেক জঙ্গলৰ বাসিন্দা প্ৰকৃততে বাধ্য যে সেইজনাৰ ওপৰত বিশ্বাস স্থাপন কৰিব। প্ৰত্যেক ব্যক্তিৰ আভ্যন্তৰীণ

আত্মা আৰু পোহৰেৰে আলোকিত হৃদয়ে সাক্ষী প্ৰদান কৰে যে তেওঁ ইছ্‌লামী খোদাৰ ওপৰত ঈমান আনিব।এই সত্য ইছ্‌লামক আৰু মূল শিক্ষাক যাৰ ব্যাখ্যা কৰা হৈছে, আজি কালিৰ মুছ্‌লমানসকলে পাহৰি গৈছে আৰু এই কথাক প্ৰতিষ্ঠিত কৰি দিয়াই আমাৰ কাম হয় আৰু এয়াই এক মহান উদ্দেশ্য হয় যাক লৈ আমি আহিছো।

এই বিষয়সমূহৰ বাহিৰেও যি ওপৰত উল্লেখ কৰা হৈছে জ্ঞানৰ তাত্ত্বিক ভুল মুছ্‌লমানসকলৰ মাজত বিস্তাৰ লাভ কৰিছে যাক আদায়* কৰা আমাৰ কাম হয়। উদাহৰণ স্বৰূপ, সেই লোকসকলৰ আকিদা যে ঈছা আৰু তেওঁৰ মাতৃ চয়তানৰ স্পৰ্শৰ পৰা পৱিত্ৰ আৰু বাকী সকলোবিলাক নাউজুবিল্লাহ পৱিত্ৰ নহয়। এয়া এক সুস্পষ্ট ভুল অৰ্থাৎ কুফৰ হয় আৰু ইয়াত আঁ-হজৰত (ছাঃ)ৰ কঠোৰ অৱমাননা হয়। সেই লোকসকলৰ মাজত অলপ পৰিমাণেও চিন্তা-ভাৱনা নাই যিসকলে এই ধৰণৰ মছ্‌লা ৰটনা কৰে আৰু ইছ্‌লামক অসন্মানিত কৰাৰ চেষ্টা কৰে,এই লোকসকল ইছ্‌লামৰ পৰা বহু দূৰত্ব হৈ পৰিছে। আচলতে এই মছ্‌লা এই ধৰণৰ হয় যে কোৰাণ শ্বৰীফৰ পৰা প্ৰমাণিত হয়,জন্ম দুই ধৰণৰ হয় ঃ

(১) পৱিত্ৰ আত্মাৰ স্পৰ্শৰ পৰা আৰু চয়তানৰ স্পৰ্শৰ পৰা। সকলোবোৰ পুণ্য আৰু খোদা প্ৰেমীক লোকসকলৰ সন্তান পৱিত্ৰ আত্মাৰ স্পৰ্শৰ পৰা হয় আৰু যি সন্তান বেয়াৰ ফলাফল হয় সেইজন চয়তানৰ স্পৰ্শৰ পৰা হয়। সকলোবিলাক নবী পৱিত্ৰ আত্মাৰ স্পৰ্শৰ পৰা সৃষ্টি হৈছিল। কিন্তু হজৰত ঈছাৰ প্ৰতি ইহুদীসকলে এই অভিযোগ কৰিছিল যে তেওঁ নাউজুবিল্লাহ ব্যভিচাৰী সন্তান আৰু মৰিয়মৰ এক আৰু ছিপাহী পাণ্ডাৰা নামৰ সৈতে সম্পৰ্ক অবৈধৰ মাধ্যম হয় আৰু চয়তানৰ স্পৰ্শৰ ফলাফল হয়। এই কাৰণে আল্লাহ্ তা'লাই সিহঁতৰ জিম্মাৰ পৰা এই আৰোপ দূৰ কৰাৰ বাবে সিহঁতৰ সম্বন্ধে এই সাক্ষী প্ৰদান কৰিছিল যে তেখেতৰ জন্মত পৱিত্ৰ আত্মাৰ স্পৰ্শ আছিল। কাৰণ আমাৰ নবী কৰীম (ছাঃ) আৰু আন আন নবীসকলৰ সম্বন্ধে কোনো এই ধৰণৰ আৰোপ নাছিল এই কাৰণে সিহঁতৰ সম্বন্ধে এনেকুৱা কথা-বতৰা

---

***টোকা ঃ** ছহু কিতাপৰ পৰা জানিব পৰা যায় যে **দূৰ কৰা** হোৱা উচিত (প্ৰকাশক)

বৰ্ণনা কৰাৰ প্ৰয়োজন হোৱা নাই।

আমাৰ নবী কৰীম (ছাঃ)ৰ পিতৃ-মাতৃ আব্দুল্লাহ আৰু আমিনাক প্ৰথমৰে পৰাই সন্মানৰ দৃষ্টিৰে দেখা হৈছিল আৰু সিহঁতৰ সম্বন্ধে এনেকুৱা কল্পনা আৰু ধাৰণা কেতিয়াও কোনোবাৰ হোৱা নাছিল। এজন ব্যক্তি যিয়ে মোকৰ্দমাত আৱদ্ধ হৈ যায় তাৰ বাবে স্পষ্টীকৰণৰ সাক্ষীৰ প্ৰয়োজন হৈ পৰে,কিন্তু যি ব্যক্তি মোকৰ্দমাত আৱদ্ধ হোৱা নাই তাৰ বাবে স্পষ্টীকৰণৰ সাক্ষীৰ প্ৰয়োজন নপৰে।

এনেকুৱাই আৰু এটা ভুল মুছলমানসকলৰ মাজত হৈছে সেয়া মিৰা’জ (আকাশলৈ আধ্যাত্মিক ভ্ৰমণ) সম্পৰ্কে হয়। আমাৰ বিশ্বাস যে আঁ-হজৰত (ছাঃ)ৰ মিৰা’জ হৈছিল কিন্তু তাতে কিছুমান লোকসকলৰ যি আকিদা হয় সেয়া কেৱল এক সাধাৰণ সপোন আছিল। গতিকে এই আকিদা ভুল আৰু যিসকল লোকৰ আকিদা আছিল যে মিৰা’জত আঁ-হজৰত (ছাঃ)য়ে সশৰীৰে আকাশলৈ গৈছিল,এই আকিদাও ভুল। অৰ্থাৎ মূল কথা আৰু সঠিক আকিদা এয়া যে মিৰা’জ কাশ্‌ফি (দিব্য দৰ্শন) ৰূপত এক জ্যোতিৰময় অস্তিত্বৰ সৈতে হৈছিল। সেয়া এক অস্তিত্ব আছিল কিন্তু জ্যোতিৰময় আৰু জাগৰণ আছিল কিন্তু কাশ্‌ফি আৰু জ্যোতিৰময় যাক এই দুনিয়াৰ লোকসকলে বুজিব নোৱাৰে কিন্তু সেই জন যাৰ ওপৰত এই অৱস্থা ঘটিছে। নতুবা বাহ্যিক শৰীৰ আৰু বাহ্যিক জাগৰণৰ সৈতে আকাশলৈ যোৱাৰ বাবে ইহুদীসকলে নিজেই নিদৰ্শন বিচাৰিছিল যাৰ উত্তৰত কোৰাণ শ্বৰীফত কোৱা হৈছে,

قُلْ سُبْحَانَ رَبِّيْ هَلْ كُنْتُ اِلَّا بَشَرًا رَّسُوْلًا ۝٩٤ (17:94)

তুমি কৈ দিয়া মোৰ প্ৰভু (সেই কথাসমূহৰ পৰা) পৱিত্ৰ,মই কেৱল এজন প্ৰেৰিত ৰছুল হওঁ।

মানৱ এইদৰে উৰি কেতিয়াও আকাশলৈ নাযায়,এয়া আল্লাহৰ পুৰণি ছুন্নতৰ পৰা অব্যাহত।

আৰু এটা মুছলমানসকলৰ মাজত ভুল দেখিবলৈ পোৱা যায় যে সিহঁতে হাদীছক কোৰাণৰ ওপৰত প্ৰাধান্য দিয়ে। অৰ্থাৎ এয়া ভুল। কোৰাণ শ্বৰীফ এক বিশ্বাসী মৰ্যাদা ৰাখে আৰু হাদীছৰ মৰ্যাদা শংকা। হাদীছ কাজী নহয়

অৰ্থাৎ কোৰাণ তাৰ ওপৰত কাজী হয়। হয়, হাদীছ কোৰাণ শ্বৰীফৰ ব্যাখ্যা হয়। ইয়াক নিজৰ শ্ৰেণীত ৰখা উচিত। হাদীছক ইমান পৰ্যায়লৈ মানিব লাগে যে সেয়া কোৰাণ শ্বৰীফৰ পৰিপন্থী যেন নহয় কোৰাণ অনুযায়ী যেন হয় আৰু যদি তাৰ পৰিপন্থী হয় তেন্তে সেয়া হাদীছ নহয় প্ৰত্যাখ্যানিত বিবৃতি হয়,কিন্তু কোৰাণ শ্বৰীফক বুজাৰ বাবে হাদীছ জৰুৰী হয়। কোৰাণ শ্বৰীফত যি আদেশসমূহ অৱতীৰ্ণ হৈছে আঁ-হজৰত (ছাঃ)য়ে সেয়া আমল (কাৰ্যকৰী) কৰি আৰু কৰোৱাই দেখুৱাইছে আৰু এক আদৰ্শ প্ৰতিষ্ঠিত কৰি দিছে। যদি এই নমুনা নহ'ল হয় তেতিয়া ইছলামো বুজিব নোৱাৰিলে হয় কিন্তু মূল কোৰাণ হয়। কিছুমান আহলে কাশ্‌ফ আঁ-হজৰত (ছাঃ)ৰ সৈতে পৰোক্ষ ভাৱে এনেকুৱা হাদীছবোৰ শ্ৰৱণ কৰিছে যি আনসকলে জানিব পৰা নাছিল বা বৰ্তমানৰ হাদীছবোৰক সত্যায়ণ কৰি লয়।

অৰ্থাৎ এই ধৰণৰ বহু কথাবোৰ আছে যিবোৰ সেইলোকসকলৰ মাজত পোৱা যায় যাৰ পৰা খোদা তা'লা ক্ৰোধান্বিত হয় আৰু যি ইছলামী ৰূপক ভাৱে একেবাৰে পৰিপন্থী। এই কাৰণে আল্লাহ তা'লা এই লোকসকলক মুছলমান বুলি নেজানে যেতিয়ালৈকে সিহঁতে নিজৰ ভুল আকিদাসমূহক ত্যাগ নকৰি খোদা প্ৰেমিক নহয়,আৰু এই কাৰণেই খোদা তা'লা মোক প্ৰত্যাদিষ্ট কৰি প্ৰেৰণ কৰিছে যে এইবোৰ ভুল আঁতৰ কৰি মূল ইছলাম পৃথিৱীত প্ৰতিষ্ঠিত কৰো।

এই পাৰ্থক্য আমাৰ মাজত আৰু সিহঁতৰ মাজত,সিহঁতৰ অৱস্থা তেনেকুৱা হৈ থকা নাই যি ইছলামৰ আছিল। এয়া এক বেয়া আৰু অকামিলা বাগানৰ বস্তু হৈ গৈছে। ইহঁতৰ হৃদয় অপৱিত্ৰ হয় আৰু খোদা তা'লা বিচাৰে যে সেইসকলক এক নতুন জাতি সৃষ্টি কৰে যিসকলে সত্যক আৰু বিশ্বস্ততাক অৱলম্বন কৰি সত্য ইছলামৰ আদৰ্শ হয়।

ইতি

(আলহাকম ১৭ ফেব্ৰুৱাৰী, ১৭ মে, ১৭ জুন ১৯০৬ ইং)